Sacn to Donate
NEWSNEXTONE.COM

# www.newsnextone.com e সংবাদ

ROYAL CONSTRUCTION
MANUFACTURER OF
CEMENT BRICK, PAVER BLOCK,
COLOR PAVER BLOCK,
CEMENT TILES
FACTORY ADDRESS
TITKURI, KAMARGAON, RANGIA, KAMRUP(R)
CALL: +91 88 76 99 50 95, +91 99 57 41 80 39

THURSDAY, JANUARY 02, 2025 ■ বৃহস্পতিবাৰ, ১৭ পুহ, ১৯৪৬ শকাব্দ ■ www.newsnextone.comৰ অনলাইন দৈনিক ■ দ্বিতীয় বছৰ, সংখ্যা ৮ Guwahati, Assam ।। মূল্যঃ এটকা

## সংবাদ মাধ্যমৰ ৰামটাঙোন

■ শোণিত কুমাৰ গোস্বামী

শাণিত কলম




বছৰ আহে আৰু বছৰ যায়। অৱধাৰিতভাৱে ২০২৪ চনটোও অন্ত পৰিল। পৃথিৱীৰ বিৱৰ্তনে এতিয়া শেষাংশ ৪ পৃষ্ঠাত

### নিউ অৰ্লিন্সৰ বিখ্যাত বোৰ্বন ষ্ট্ৰীটত জেহাদীৰ কূটাঘাতত নিহত ১০ জন

## নৱবৰ্ষৰ প্ৰথম দিনটোতে ৰক্তাক্ত আমেৰিকা

**নিউয়ৰ্ক, ১ জানুৱাৰীঃ** জেহাদী আক্ৰমণৰ ফলত সৃষ্টি হোৱা ৰক্তাক্ত পৰিস্থিতিৰে আমেৰিকাত আৰম্ভণি ঘটিল নতুন বছৰটোৰ! নৱবৰ্ষৰ আনন্দৰ



মাজতে ২০২৫ চনৰ পহিলা দিনটোতে সংঘটিত হ'ল এই কৰুণ ঘটনা। নতুন বছৰটো উদযাপনৰ বাবে নিউ অৰ্লিন্স চহৰৰ বিখ্যাত ২ পৃষ্ঠাত চাওক

### ডিমা হাছাওত অভূতপূৰ্ব দৃশ্য, গাৰ্লোছাৰ পদত্যাগ দাবী

# বিজেপি নেতাৰ বিৰুদ্ধে কৰ্মীৰ প্ৰতিবাদ




### উত্থাপন কৰিলে দুৰ্নীতিৰ অভিযোগ

**ই-সংবাদ, ১ জানুৱাৰীঃ** নৱবৰ্ষৰ পহিলা দিনটোত অসমৰ বিজেপিৰ বাবে মুঠেই ভাল বাৰ্তা কঢ়িয়াই নানিলে। বছৰৰ প্ৰথমটো দিনতে আজি ৩ পৃষ্ঠাত

## কুমাৰ ভাস্কৰ বৰ্মাৰ নামত দলঙৰ নাম



**ই-সংবাদ, গুৱাহাটী, ১ জানুৱাৰীঃ** আজি বছৰৰ প্ৰথম দিনটোত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কইনাধাৰাত 'নতুন দিনৰ আলাপ' শীৰ্ষক ৪ পৃষ্ঠাত চাওক




## যুগান্তকাৰী সিদ্ধান্ত জিম্বাবৱেৰ আৰু নাথাকিব মৃত্যুদণ্ড

**হাৰাৰে, ১ জানুৱাৰীঃ** বিশ্বৰ মানৱ অধিকাৰৰ ইতিহাসত এক নতুন অধ্যায় সূচিত হ'ল জিম্বাব'ৱেত। ৫ পৃষ্ঠাত

## ৩ জানুৱাৰীত ডঃ দীনেশ বৈশ্যৰ সাহিত্য জীৱনৰ ৫০ বছৰ, উন্মোচন হ'ব বিশেষ গ্ৰন্থ

**ই-সংবাদ, ১ জানুৱাৰীঃ** বিশিষ্ট বুদ্ধিজীৱী, সাহিত্যিক তথা 'ই-সংবাদ'ৰ মুখ্য সম্পাদক, ৫ পৃষ্ঠাত

## মানৱ উন্নয়ন সূচাংকত ৩১ নম্বৰ স্থান লাভ অসমৰ


### ওলাই পৰিল শোচনীয় স্বৰূপ

| | | | | | |
|---|---|---|---|---|---|
| Arunachal Pradesh | Pema Khandu | BJP | 332 | 2 | 16 |
| Nagaland | Neiphiu Rio | NDPP | 46 | 4 | 19 |
| Assam | Himanta Biswa Sarma | BJP | 17 | 9 | 31 |
| Meghalaya | Conrad Kongkal Sangma | NPP | 14 | 10 | 24 |
| Tripura | Manik Saha | BJP | 13 | 11 | 29 |
| Sikkim | P S Tamang | Sikkim Krantikari Morcha | 6 | 17 | 9 |
| Mizoram | Lalduhoma | Zoram People's Movement | 4 | 20 | 10 |

**ই-সংবাদ, ১ জানুৱাৰীঃ** দেশৰ ১০গৰাকী ধনী মুখ্যমন্ত্ৰীৰ তালিকাত অসমৰ মুখ্যমন্ত্ৰীৰ হিমন্ত বিশ্ব শৰ্মাৰ নাম অন্তৰ্ভুক্ত হৈছে। এডিআৰে ৩ পৃষ্ঠাত চাওক

### পায়েলক লৈ ৰাজগড়ত ৰহস্য


## মহানগৰীত আকৌ যুৱতীৰ মৃতদেহ উদ্ধাৰ



**ই-সংবাদ, ১ জানুৱাৰীঃ** মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই নৱবৰ্ষত সাংবাদিকক সম্বোধন কৰি ৰাজ্যৰ অপৰাধ হ্ৰাস হোৱা বুলি দাবী কৰাৰ ৪ পৃষ্ঠাত

### বহাগ বিহুৰ পৰা হ্ৰাস পাব বিদ্যুতৰ মাচুল

## নৱবৰ্ষৰ প্ৰথম দিনটোত ঋণ লোৱাৰ সপক্ষে মুখ্যমন্ত্ৰী



**ই-সংবাদ, ১ জানুৱাৰীঃ** বছৰৰ পহিলা দিনটোত গুৱাহাটীত ফুটব্ৰীজ, লোকপ্ৰিয় গোপীনাথ বৰদলৈ স্মাৰক শেষাংশ ২ পৃষ্ঠাত

## বাংলাদেশৰ সেনা প্ৰধানৰ সলনি সুৰ!

**ঢাকা, ১ জানুৱাৰীঃ** বাংলাদেশত অব্যাহত থকা ৰাজনৈতিক আৰু সামাজিক অশান্তিৰ মাজতে ভাৰতক লৈ গুৰুত্বপূৰ্ণ মন্তব্য কৰিছে দেশ শেষাংশ ৫ পৃষ্ঠাত

## কোকৰাঝাৰত পথ দুৰ্ঘটনাত বিজেপি নেত্ৰী ডলী নন্দী ৰায় নিহত

### নাবালকে চলাইছিল বলেৰো

**ই-সংবাদ, কোকৰাঝাৰ, ১ জানুৱাৰীঃ** নতুন বছৰৰ প্ৰথম দিনটোতে কোকৰাঝাৰ আৰু ধুবুৰী জিলাৰ সীমান্তৱৰ্তী ২ পৃষ্ঠাত চাওক



প্ৰথম পৃষ্ঠাৰ পৰা...

# কোকৰাঝাৰত পথ দুৰ্ঘটনাত বিজেপি

এলেকা তথা কোকৰাঝাৰ থানাৰ অন্তৰ্গত শিলগাৰাত সংঘটিত হোৱা এক ভয়ংকৰ দুৰ্ঘটনাৰ ফলত বিজেপিৰ বাওখুংগ্ৰী মণ্ডলৰ মহিলা মৰ্চাৰ সভানেত্ৰী ডলী নন্দী ৰায় (৪৫) থিতাতে নিহত হোৱা ঘটনাই ব্যাপক চাঞ্চল্যৰ সৃষ্টি কৰিছে। ডলী নন্দী ৰায় নিজ গৃহৰ পৰা বজাৰলৈ যাওঁতেই ধুবুৰী জিলাৰ বিলাসীপাৰাৰ পৰা কোকৰাঝাৰ অভিমুখে তীব্ৰবেগেৰে আহি থকা এএছ ১৭জি ৫৮৪৪ নম্বৰৰ বলেৰো বাহনখনে শিলগাৰা নামৰ ঠাইত ডলী নন্দী ৰায়ক মহতিয়াই নিয়ে আৰু যাৰ পৰিণতিতত ডলী নন্দী ৰায় থিতাতে নিহত হয়। উক্ত দুৰ্ঘটনাৰ পিছতে অঞ্চলটোত তীব্ৰ উত্তেজনাৰ সৃষ্টি হয় আৰু বহুসংখ্যক স্থানীয় গঞা ৰাইজে দুৰ্ঘটনা সংঘটিত কৰা স্থানত ভিৰ কৰে। স্থানীয় ৰাইজে বলেৰো বাহনখন আৱদ্ধ কৰি ৰখাৰ লগতে গাড়ীখনত থকা ইন্দ্ৰজিৎ সৰকাৰ (৪৫) আৰু আন এগৰাকী নাবালক শতদ্ৰু পাল ওৰফে জিতক (১৭) উত্তেজিত ৰাইজে বেয়াকৈ গণপ্ৰহাৰ কৰে। ৰাইজৰ প্ৰহাৰত ইন্দ্ৰজিৎ সৰকাৰ (৪৫) আৰু শতদ্ৰু পাল ওৰফে জিৎ পাল (১৭) গুৰুতৰভাৱে আহত হয়। দুৰ্ঘটনা সংঘটিত কৰা বাহনখন কোনে চলাইছিল সেয়া বৰ্তমানলৈকে নিশ্চিত হ'ব পৰা নাই। জানিব পৰা মতে বিলাসীপাৰাৰ এটা গেৰেজৰ মালিক ইন্দ্ৰজিৎ সৰকাৰে গেৰেজ ব্যৱসায়ৰ লগতে গাড়ীচালনাৰো প্ৰশিক্ষণ দিছিল। সেইসূত্ৰে আজি নাবালক শতদ্ৰু পাল ওৰফে জিৎ পালক গাড়ীচালনাৰ প্ৰশিক্ষণ দিছিল বুলি অনুমান কৰা হৈছে আৰু অনভিজ্ঞ গাড়ীচালনাৰ পৰিণতিতে দুৰ্ঘটনাটো সংঘটিত হ'ল বুলি অনুমান কৰা হৈছে। এগৰাকী নাবালকক কিয় ইন্দ্ৰজিৎ সৰকাৰে গাড়ী চালনাৰ প্ৰশিক্ষণ দিছিল তাকে লৈও প্ৰশ্ন উত্থাপিত হৈছে। ইন্দ্ৰজিৎ সৰকাৰ আৰু শতদ্ৰু পাল ওৰফে জিৎ পাল বিলাসীপাৰা চহৰৰ ৱাৰ্ড নম্বৰ ৮ ৰ নিৱাসী বুলি জানিব পৰা গৈছে। ইপিনে দুৰ্ঘটনা সংঘটিত হোৱাৰ কিছুসময় পিছত ঘটনাস্থলীত কোকৰাঝাৰ আৰক্ষী উপস্থিত হৈ দুৰ্ঘটনা সংঘটিত কৰা যুৱকদ্বয়ক উদ্ধাৰ কৰে। আৰক্ষীয়ে যুৱকদ্বয়ক চিকিৎসালয়ত ভৰ্তি কৰোৱাৰ পিছতে গুৰুতৰভাৱে আহত হোৱা যুৱকদ্বয়ক উন্নত চিকিৎসাৰ বাবে চিকিৎসকে ৰেফাৰ কৰে। সেইমৰ্মে সম্প্ৰতি যুৱকদ্বয় বঙাইগাঁৱৰ এখন ব্যক্তিগতখণ্ডৰ নাৰ্ছিংহোমত সংকটজনক অৱস্থাত চিকিৎসাধীন হৈ আছে। আনহাতে দুৰ্ঘটনাত মৃত্যু হোৱা বিজেপি নেত্ৰী ডলী নন্দী ৰায়ৰ মৃতদেহ উদ্ধাৰ কৰি আৰক্ষীয়ে মৰণোত্তৰ পৰীক্ষাৰ বাবে প্ৰেৰণ কৰিছে। নৱবৰ্ষৰ দিনটোতে কোকৰাঝাৰত এনে ভয়ংকৰ ঘটনা সংঘটিত হোৱাত চাঞ্চল্যৰ সৃষ্টি হোৱাৰ লগতে জনপ্ৰিয় বিজেপি নেত্ৰীৰ মৃত্যুত কোকৰাঝাৰত শোকৰ ছাঁ পৰিছে। আনহাতে কোকৰাঝাৰ জিলা বিজেপিৰ উপ-সভাপতি দেৱৰাজ পালে বিজেপিৰ বাওখুংগ্ৰী মণ্ডলৰ মহিলা মৰ্চাৰ সভানেত্ৰী ডলী নন্দী ৰায়ৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰি শোক সন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰিছে। ডলী নন্দী ৰায় বিজেপিৰ এগৰাকী জ্যেষ্ঠ কাৰ্যকৰ্তা আছিল আৰু খুব সক্ৰিয় আছিল বুলি মন্তব্য কৰি কোকৰাঝাৰ জিলা বিজেপিৰ উপ-সভাপতি দেৱৰাজ পালে দুৰ্ঘটনাটোৰ তদন্ত মৰ্মে দোষীৰ বিৰুদ্ধে আইনগত শাস্তিৰ ব্যৱস্থা ল'বলৈ প্ৰশাসনৰ প্ৰতি আহ্বান জনাইছে। উল্লেখ্য যে মৃত্যুৰ সময়ত ডলী নন্দী ৰায়ে স্বামী, এগৰাকী পুত্ৰ আৰু এগৰাকী কন্যা সন্তানৰ লগতে অজস্ৰ গুণমুগ্ধক ইহসংসাৰত এৰি থৈ গৈছে। বাতৰি লিখা পৰলৈ ডলী নন্দী ৰায়ৰ স্বগৃহত কোকৰাঝাৰ জিলা বিজেপিৰ নেতৃবৃন্দ উপস্থিত হৈছে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# নৱবৰ্ষৰ প্ৰথম দিনটোতে ৰক্তাক্ত

বোৰ্বন ষ্ট্ৰীটত অসংখ্য লোক সমবেত হোৱাৰ সময়তে পহিলা জানুৱাৰীত সংঘটিত হ'ল ভয়ংকৰ জেহাদী আক্ৰমণ। নৱবৰ্ষক আদৰিবলৈ সমবেত হোৱা লোকৰ মাজত এখন অচিনাক্ত বাহনে বহু লোকক মহতিয়াই নিয়ে। কিন্তু ইমানতেই ক্ষান্ত নাথাকি নিৰ্বিচাৰ গুলীবৰ্ষণো আৰম্ভ কৰে আক্ৰমণকাৰীয়ে। এই ঘটনাত এতিয়ালৈকে ১০ জন লোকৰ মৃত্যু হোৱা বুলি নিশ্চিত হৈছে, আৰু ৩০ জনতকৈ অধিক লোক আহত হৈছে। স্থানীয় আৰক্ষী সূত্ৰৰ মতে, বুধবাৰে পুৱাৰ ভাগত সংঘটিত হয় এই আক্ৰমণ। আক্ৰমণকাৰীয়ে বোৰ্বন ষ্ট্ৰীটত ভিৰৰ মাজত এখন ট্ৰাক প্ৰৱেশ কৰে আৰু বহু লোকক মহতিয়াই লৈ যায়। এই ঘটনাত স্থানীয় বাসিন্দা আৰু পৰ্যটকসকলৰ মাজত আতংকৰ সৃষ্টি হয়। প্ৰত্যক্ষদৰ্শী কেভিন গাৰ্চিয়াই কয়, "এটা মৃতদেহ উফৰি আহি মোৰ ভৰিৰ ঠিক ওচৰতে পৰে। গুলীচালনাও কৰে আক্ৰমণকাৰীয়ে। এই সমগ্ৰ ঘটনা মোৰ চকুৰ সন্মুখতে ঘটিছিল।" ঘটনাস্থলীত উপস্থিত হৈ আৰক্ষীয়ে ক্ষীপ্ৰতাৰে আহতসকলক উদ্ধাৰ কৰি চিকিৎসালয়লৈ প্ৰেৰণ কৰে। উল্লেখ্য যে, এনেধৰণৰ ঘটনা ইয়াৰ পূৰ্বে সংঘটিত হয় ইউৰোপতো। ২৫ ডিচেম্বৰৰ পূৰ্বে জাৰ্মানীৰ মেগডেবাৰ্গ চহৰৰ এখন খ্ৰীষ্টমাছৰ বজাৰত এখন অচিনাক্ত বাহনে প্ৰায় ৪০০ মিটাৰ দূৰলৈ মহতিয়াই নিয়ে কেইবাজনো লোকক। এই ঘটনাত দুজন লোক নিহত হোৱাৰ লগতে কেইবাজনো আহত হয়। পিছত আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰে ভুৱা পৰিচয়েৰে জাৰ্মানীত বাস কৰি অহা এজন ছৌদি নাগৰিক। ২০২৫ বৰ্ষৰ প্ৰথম দিনটোতে আমেৰিকাতো অনুৰূপ আক্ৰমণ সংঘটিত হোৱাক লৈ সমগ্ৰ বিশ্বতে আতংকৰ সৃষ্টি হৈছে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# নৱবৰ্ষৰ প্ৰথম দিনটোত ঋণ লোৱাৰ

গ্ৰীন বাছ সেৱা, আন্তঃৰাজ্যিক বাছস্থান মুকলি কৰাৰ লগতে মুখ্যমন্ত্ৰীয়ে কইনাধাৰাত 'নতুন দিনৰ আলাপ' শীৰ্ষক সংবাদমেল সম্বোধন কৰি বিৰোধী দলকো আক্ৰমণৰ লক্ষ্য কৰি লয়। 'নতুন দিনৰ আলাপ' অনুষ্ঠানত ৰাজ্যবাসীক একাধিক আশাৰ খবৰো দিয়ে মুখ্যমন্ত্ৰীয়ে। বহাগ বিহুৰ পৰা ৰাজ্যত ৫০ পইচাৰ পৰা ডেৰ টকা পৰ্যন্ত বিদ্যুৎ মাচুল হ্ৰাস কৰা হ'ব বুলিও তেওঁ জনায়। এনেদৰে থাকিলে ২০২৬ চনত আৰু এটকা হ্ৰাস হ'ব।'' ৰাজ্যখনৰ বিশিষ্ট সাংবাদিকসকল সম্বোধন কৰি মুখ্যমন্ত্ৰীয়ে পুৰণি বছৰত গ্ৰহণ কৰা আঁচনি আৰু নতুন বছৰৰ লক্ষ্য মতামত ব্যক্ত কৰি বাৰে বাৰে হিমন্ত বিশ্ব শৰ্মাই ঋণ লৈ চৰকাৰ চলাই থকা বুলি বিৰোধীয়ে উত্থাপন কৰি অহা অভিযোগৰ প্ৰত্যুত্তৰ দিছে। ৰাজ্যখন ঋণত ডুব যোৱা বিৰোধীয়ে অভিযোগ উত্থাপন কৰি চৰকাৰক আক্ৰমণৰ লক্ষ্য কৰি লয়। মাহেকে, পষেকে ৫০০ কোটি, ৭০০ কোটিৰ পৰা আৰম্ভ কৰি হাজাৰ কোটি টকাৰ ঋণ লৈ অহা চৰকাৰখনে বিনামূলীয়া আঁচনি বিতৰণ কৰি ভোটৰ ৰাজনীতি কৰি অহাৰ অভিযোগ উত্থাপন হৈ আহিছে। বিৰোধীৰ বিশেষকৈ কংগ্ৰেছে বাৰেবাৰে ৰাজ্যখনক ঋণত ডুবোৱা বুলি মুখ্যমন্ত্ৰীৰ বিৰুদ্ধে অনা অভিযোগৰ নৱবৰ্ষৰ পহিলা দিনটোত উত্তৰ দিয়ে। মুখ্যমন্ত্ৰীয়ে আজি অসমৰ বিত্তীয় পৰিৱেশ সুস্থিৰ হৈছে বুলি দাবী কৰি কয় যে ২০২৮ চনলৈ অসমৰ অৰ্থনীতি মিলিয়ন ইক'নমিলৈ ৰূপান্তৰিত হ'ম। অসমৰ জিডিপি দেশৰ ১৭নং স্থানত আছে। যিমানে ঋণ ল'ম সিমানে আমাৰ জিডিপি বাঢ়িব। বিৰোধীৰ চৰকাৰ থকা ৰাজ্যই ঋণ লোৱাৰ প্ৰসংগ উল্লেখ কৰি তেওঁলোকে ঋণ লয় নে নাই সেই কথা নকয়। ঋণ লোৱাৰ ক্ষমতা বৃদ্ধি হৈছে যদিও সেই কথা বিৰোধীয়ে নকয় বুলি উল্লেখ কৰি তৰুণ গগৈয়ে লোৱা ঋণ সম্পূৰ্ণ ৰূপে মাৰি দিছো বুলি কয় মুখ্যমন্ত্ৰীয়ে। ২০১৪ চনলৈ ঋণ মুক্ত কৰিছো বুলি দাবী কৰি মুখ্যমন্ত্ৰীয়ে কয় যে ভাৰত চৰকাৰে অসম চৰকাৰক ২৭ হাজাৰ কোটি টকা ঋণ লোৱাৰ অনুমতি দিছে। কিন্তুআমি ঋণ লৈছো ১৭ হাজাৰ কোটি টকাহে। স্বাধীনতাৰ পিছৰে পৰা ২০১৬ চনলৈ তৰুণ গগৈৰ চৰকাৰলৈ অসম চৰকাৰে ঋণ লৈছিল ৪১,৯৬৪ কোটি টকা। কিন্তু বিগত আঠ বছৰত সৰ্বানন্দ সোণোৱাল আৰু হিমন্ত বিশ্ব শৰ্মাৰ চৰকাৰে ১,০৮,৯৩৬ কোটি টকা ঋণ লৈছিল। অসমৰ বৰ্তমানৰ ঋণৰ পৰিমাণ ১,৫০,৯০০ কোটি টাকতকৈ অধিক। স্বাধীনতাৰ পিছৰ চৰকাৰসমূহে ৬৯ বছৰত যিমান ঋণ লোৱা নাছিল বিজেপিৰ ৮ বছৰীয়া চৰকাৰখনে ১,৫০,৯০০ কোটি টাকতকৈ অধিক ঋণ লি ইতিহাস গঢ়িছে। যাৰ ফলতে অসমৰ বিৰোধী কংগ্ৰেছ, ৰাইজৰ দল, অজাপই বাৰে বাৰে ঋণ লোৱা প্ৰসংগটো উল্লেখ কৰি বিজেপিয়ে ঋণ লৈ চৰকাৰ চলাই থকাৰ অভিযোগ উত্থাপন কৰি আহিছে। ইয়াৰ মাজতে মুখ্যমন্ত্ৰীয়ে নতুন বছৰৰ প্ৰথম দিনটোতে ঋণক লৈ কৰা এই বিশেষ মন্তব্যই তাৎপৰ্য বহন কৰিছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# মানৱ উন্নয়ন সূচাংকত ৩১ নম্বৰ স্থান

প্ৰকাশ কৰিছে তালিকা অনুসৰি দেশৰ শীৰ্ষ ১০ গৰাকী ধনী মুখ্যমন্ত্ৰীসকলৰ তালিকাৰ নৱম স্থানত আছে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা। হিমন্ত বিশ্ব শৰ্মাৰ সম্পত্তিৰ পৰিমাণ হৈছে ১৭ কোটি টকা। ২০০১ চনত জালুকবাৰী সমষ্টিত খালী হাততেৰে নিৰ্বাচন খেলা হিমন্ত বিশ্ব শৰ্মাই প্ৰথমবাৰ জিকিয়েই মন্ত্ৰী পদ লাভ কৰিছিল। ২০০১ চনৰ পৰা তৰুণ গগৈ চৰকাৰত ২০১৬ চনলৈ মন্ত্ৰী হৈ আছিল। তাৰ পিছতে বিজেপিত যোগদান কৰি ২০১৬ চনৰ পৰা ২০২১ চনলৈ মন্ত্ৰী হৈ থকাৰ লগতে ২০২১ চনৰ পৰা বৰ্তমানেও মুখ্যমন্ত্ৰী হৈ আছে। ২০০১ চনৰ পৰা প্ৰায় ২৩ বছৰে ৰাজনীতি কৰাৰ সময়তে হিমন্ত বিশ্ব শৰ্মা আজি ১৭ কোটি টকাৰ সম্পত্তিৰ গৰাকী। উত্তৰ পূৰ্বাঞ্চলৰ কেৱল হিমন্ত বিশ্ব শৰ্মাই নহয়। অৰুণাচলৰ মুখ্যমন্ত্ৰী পেমা খাণ্ডু, নাগালেণ্ডৰ মুখ্যমন্ত্ৰীৰ নেফিঅ' ৰিঅ', মেঘালয়ৰ মুখ্যমন্ত্ৰী কনৰাড চাংমাৰ নাম শীৰ্ষ ১০ ধনী মুখ্যমন্ত্ৰীৰ তালিকাত আছে। দেশৰ ধনী মুখ্যমন্ত্ৰীৰ তালিকাত উত্তৰ পূৰ্বাঞ্চলৰ চাৰিগৰাকী মুখ্যমন্ত্ৰীৰ নামত থকা বিষয়টোক সমালোচনা কৰিছে যোৰহাটৰ সাংসদ তথা কংগ্ৰেছ নেতা গৌৰৱ গগৈয়ে। উত্তৰ পূৰ্বাঞ্চলৰ চাৰি মুখ্যমন্ত্ৰী শীৰ্ষ ধনী দহ মুখ্যমন্ত্ৰীৰ তালিকাত স্থান লাভ কৰিছে যদিও মানৱ উন্নয়ন সূচাংকত উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যকেইখনৰ স্থান ক'ত বুলি প্ৰশ্ন কৰিছে। এছ'চিয়েশ্যন ফৰ ডেম'ক্ৰেটিক ৰিফৰ্মে প্ৰস্তুত কৰা তালিকাত শীৰ্ষ ১০ গৰাকী ধনী মুখ্যমন্ত্ৰীৰ তালিকাত উত্তৰ-পূৰ্বৰ এনডিএৰ ৪ গৰাকী মুখ্যমন্ত্ৰী থকাৰ বিপৰীতে তেওঁলোকৰ ৰাজ্যসমূহ হিউমেন ডেভেলপমেণ্ট ইনডেক্স ৰেংকিঙত পিছ পৰি আছে বুলি অভিযোগ উত্থাপন কৰে গগৈয়ে। বিজেপিৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক সৰ্বাধিক ধনী তালিকাত নৱম স্থানত ৰখা হৈছে যদিও মানৱ উন্নয়ন সূচাংকত কেন্দ্ৰীয় শাসিতসহ ৩১ ৰাজ্যৰ ভিতৰত ৩১ নম্বৰ স্থানত আছে অসম। মানৱ উন্নয়ন সূচাংকত অৰুণাচল ১৬ নং স্থানত, নাগালেণ্ড ১৯ নং স্থানত, মেঘালয় ২৪ নং স্থানত, ত্ৰিপুৰা ২৯ নং স্থানত, মিজোৰাম ১০ নং স্থানত, মণিপুৰ ১৬ নং স্থানত আছে। উত্তৰ পূৰ্বাঞ্চলৰ চাৰিগৰাকী মুখ্যমন্ত্ৰী দেশৰ ভিতৰতে ১০ ধনী মুখ্যমন্ত্ৰীৰ তালিকাত আছে যদিও মানৱ উন্নয়ন সূচাংকৰ তালিকাত একেবাৰে তলৰ ফালে আছে ৰাজ্যকেইখন। এই তথ্য আজি গৌৰৱ গগৈয়ে দাঙি ধৰে। গৌৰৱ গগৈয়ে কয় যে ব্যক্তিগত সম্পদ আৰু ৰাজ্য উন্নয়নৰ চালে স্পষ্ট হৈ পৰে যে 'বিকাশ' কেৱল বিজেপিৰ বাবেহে। এইটোৱেই নেকি ডাবল ইঞ্জিন বিজেপি চৰকাৰে প্ৰতিশ্ৰুতি দিয়া 'উন্নয়ন'? এডিআৰে প্ৰকাশ কৰা তালিকা অনুসৰি ধনী মুখ্যমন্ত্ৰীৰ তালিকাত অসমৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা আছে নৱম স্থানত। এডিআৰে প্ৰকাশ কৰা মতে, হিমন্ত বিশ্ব শৰ্মাৰ সম্পত্তিৰ পৰিমাণ হৈছে ১৭ কোটি টকা। কিন্তু কেন্দ্ৰীয় শাসিত ৰাজ্যসহ ৩১ ৰাজ্যৰ ভিতৰত মানৱ উন্নয়ন সূচাংকত অসম তালিকাৰ ৩১ নং স্থানত আছে অৰ্থাৎ তালিকাৰ একেবাৰে শেষত আছে অসম। ধনী মুখ্যমন্ত্ৰীৰ তালিকাৰ শীৰ্ষত আছে অন্ধ্ৰপ্ৰদেশৰ মুখ্যমন্ত্ৰী চন্দ্ৰবাবু নাইডু। তেলেগু দেশম পাৰ্টীৰ মুৰব্বীগৰাকীৰ মুঠ সম্পত্তিৰ হৈছে ৩৯১ কোটি টকা। অৰুণাচলৰ মুখ্যমন্ত্ৰী পেমা খাণ্ডু তালিকাৰ দ্বিতীয় স্থানত আছে। খাণ্ডুৰ মুঠ সম্পত্তিৰ পৰিমাণ হৈছে ৩৩২ কোটি টকা। ৫১ কোটি টকা সম্পত্তিৰে ধনী মুখ্যমন্ত্ৰীৰ তালিকাত তৃতীয় স্থানত আছে কৰ্ণাটকৰ মুখ্যমন্ত্ৰী সিদ্ধাৰামাইয়া। চতুৰ্থগৰাকী ধনী মুখ্যমন্ত্ৰী হৈছে নাগালেণ্ডৰ নেফিঅ' ৰিঅ'। নেফিঅ' ৰিঅ'ৰ সম্পত্তিৰ পৰিমাণ হৈছে ৪৬ কোটি। পঞ্চমগৰাকী ধনী মুখ্যমন্ত্ৰী মধ্যপ্ৰদেশৰ মোহন যাদৱ। মোহন যাদৱৰ সম্পত্তি ৰ পৰিমাণ হৈছে ৪২ কোটি। ষষ্ঠগৰাকী ধনী মুখ্যমন্ত্ৰী হৈছে পুডুচেৰীৰ এন ৰংগস্বামী। এন ৰংগস্বামীৰ সম্পত্তিৰ পৰিমাণ হৈছে ৩৮ কোটি। তালিকাৰ সপ্তম স্থানত আছে তেলেংগানাৰ মুখ্যমন্ত্ৰী ৰেৱন্ত ৰেড্ডী। ৰেৱন্ত ৰেড্ডীৰ সম্পত্তি পৰিমাণ হৈছে ৩০ কোটি। ২৫ কোটি টকাৰ সম্পত্তিৰে তালিকাৰ অষ্টম স্থানত আছে ঝাৰখণ্ডৰ মুখ্যমন্ত্ৰী হেমন্ত চোৰেণ। ১৪ কোটি সম্পত্তিৰে মেঘালয়ৰ মুখ্যমন্ত্ৰী কনৰাড চাংমা তালিকাৰ দশম স্থানত আছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# বিজেপি নেতাৰ বিৰুদ্ধে কৰ্মীৰ প্ৰতিবাদ

কইনাধাৰাত ৰাজ্যৰ জ্যেষ্ঠ সাংবাদিক, বাতৰিকাকত-নিউজ চেনেলৰ সম্পাদকক মাতি 'নতুন দিনৰ আলাপ' শীৰ্ষক অনুষ্ঠানৰ আয়োজন কৰি উন্নয়নৰ খতিয়ান দাঙি ধৰি আছিল সেই সময়ত ৰাজ্যৰ এটা প্ৰান্তত বিজেপিৰ নেতা-কৰ্মীয়ে প্ৰতিবাদ সাব্যস্ত কৰি নিজ দলৰে প্ৰভাৱশালী নেতাৰ দুৰ্নীতি-ভ্ৰষ্টাচাৰৰ বিৰুদ্ধে প্ৰতিবাদ সাব্যস্ত কৰিছিল। মুখ্যমন্ত্ৰীয়ে উন্নয়নৰ খতিয়ান দাঙি ধৰাৰ সময়য়ে ডিমা-হাচাও বিজেপিৰ নেতা-কৰ্মীয়ে বিজেপিৰ নেতা তথা পৰিষদৰ মুখ্য কাৰ্যবাহীৰ বিৰুদ্ধে প্ৰতিবাদ সাব্যস্ত কৰিছিল। বছৰৰ পহিলা দিনটোত বিজেপিৰ নেতা-কৰ্মীয়ে নিজ দলৰে প্ৰভাৱশালী নেতাৰ বিৰুদ্ধে প্ৰতিবাদ কৰিবলৈ ওলাই আহিল। নিজ দলৰে নেতা-কৰ্মীয়ে বিজেপিক ভোট দি পাপ কৰিলোঁ নেকি বুলি প্ৰশ্ন কৰিবলৈ বাধ্য হ'ল। বিজেপিক ভোট দি কি হ'ল বুলি প্ৰশ্ন উত্থাপন কৰিলে খোদ বিজেপিৰে নেতা-কৰ্মীয়ে। আজি ইংৰাজী নৱবৰ্ষৰ পহিলা দিনটোত ডিমা হাচাও জিলাৰ কেইবা শতাধিক বিজেপিৰ নেতা-কৰ্মীয়ে ৰাজপথলৈ ওলাই আহি নিজ দলৰ নেতা তথা উত্তৰ কাছাৰ পাৰ্বত্য স্বায়ত্ব শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী দেৱলাল গাৰ্লোছাৰ বিৰুদ্ধে দুৰ্নীতিৰ অভিযোগ আনি উত্তাল প্ৰতিবাদ সাব্যস্ত কৰে। বিজেপিৰ নেতা তথা উত্তৰ কাছাৰ পাৰ্বত্য স্বায়ত্ব শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী দেৱলাল গাৰ্লোছাই পৰিষদখনক লুটি-পুটি খোৱাৰ অভিযোগ আনি আজি অৱস্থান ধৰ্মঘট কাৰ্যসূচী ৰূপায়ণ কৰে বিজেপিৰ নেতা-কৰ্মীয়ে। হাতীকালি নামৰ ঠাইত প্ৰতিবাদ সাব্যস্ত কৰি বিজেপিৰ নেতা-কৰ্মীয়ে বিভিন্ন আঁচনি ৰূপায়নৰ নামত এইগৰাকী মুখ্য কাৰ্যবাহীয়ে লুটি-পুটি খাই আছে বুলি কয়। আজি পুৱাই দেৱলাল গাৰ্লোছাৰ বিৰুদ্ধে শ্ল'গান লিখা বেনাৰ হাতে হাতে লৈ ৰাজপথলৈ ওলাই আহে বিজেপিৰ কৰ্মীসকল। পৰিষদখনত চাকৰি কেলেংকাৰী, ভূমি দখল, বিজেপিৰ নেতা-কৰ্মীক ভাবুকি দিয়া, গুণ্ডাৰাজ, চিণ্ডিকেট চলোৱাৰ অভিযোগ আনি কেইবা শ বিজেপিৰ নেতা-কৰ্মীয়ে আজি অৱস্থান ধৰ্মঘট কাৰ্যসূচী ৰূপায়ন কৰে। বিজেপিৰ নেতা-কৰ্মীসকলে দেৱলাল গাৰ্লোছাৰ নাম লিখি তেওঁৰ বিৰুদ্ধে শ্ল'গান দি শীঘ্ৰে মুখ্য কাৰ্যবাহী পদৰ পৰা অপসাৰণ কৰাৰ দাবী জনায়। প্ৰতিবাদস্থলীৰ পৰাই বিজেপিৰ নেতাই কয় যে দেৱলাল গাৰ্লোছাই সোনকালে পদৰ পৰা আঁতৰি দিব লাগে। গাৰ্লোছাই এনে এটা চিষ্টেম চলাই আছে যেন পৰিষদখন তেওঁৰ এটা কোম্পানীহে। এখন গণতান্ত্ৰিক দেশৰ এখন ৰাজ্যৰ জিলাক লৈ এই পৰিষদ। পৰিষদখন নিজৰে প্ৰাইভেট লিমিটেড কোম্পানীৰ দৰে পৰিচালনা কৰিছে। বিজেপিৰ নেতাৰ মাজত সামাজিক বান্ধোন ধ্বংস কৰি কাজিয়া লগাই আছে গাৰ্লোছাই। প্ৰতিবাদত উপস্থিত থকা বিজেপিৰ নেতাই দলটোৰ সভাপতি ভৱেশ কলিতাৰ বিৰুদ্ধে খৰ্গহস্ত হয়। মডিয়াত ডিমা হাচাওৰ পৰিষদ ভালকৈ চলি আছে বুলি মন্তব্য দিয়াত খৰ্গহস্ত হৈ একাংশ বিজেপি নেতাই কয় যে মন্ত্ৰীসকলে, নেতাসকলে ইয়ালৈ আহি এবাৰ চাই যাওক পৰিষদখন ভালকৈ চলি আছে নে নাই। নজনাকৈ এনেই কথাবোৰ কৈ থকা বুলি ভৱেশ কলিতাৰ বিৰুদ্ধে গুৰুতৰ অভিযোগ আনে খোদ বিজেপিৰ নেতা-কৰ্মীয়ে। কিছুমান মন্ত্ৰীৰ বিৰুদ্ধে ক্ষোভ প্ৰকাশ কৰি ডিমা হাচাওৰ স্থানীয় নেতাই গুৰুতৰ অভিযোগ উত্থাপন কৰি একো নজনাকৈ দেৱলালক সমৰ্থন কৰা বুলি কয়। কিয় মন্ত্ৰীয়ে দেৱলালক সমৰ্থন কৰি অহা বুলি প্ৰশ্ন কৰি বিজেপিৰ নেতা আৰু গাৰ্লোছাই ডিমা হাচাওক খাই পেলালে বুলি কয়। সকলো ক্ষেত্ৰত চিণ্ডিকেট কৰি আছে। সোঁৱে-বাৱে থকাসকলে চিণ্ডিকেট চলাই লুটি-পুটি খাইছে। মানুহ লগাই মানুহ মাৰি পেলোৱাৰো গুৰুতৰ অভিযোগ আনে স্থানীয় বিজেপিৰ নেতাই। বিজেপিৰ সভাপতিয়ে একো নজনাকৈ কথা কৈ থকাৰ লগতে হিমন্ত বিশ্ব শৰ্মাই কোৱাৰ দৰে নহয়, উত্তৰ কাছাৰত ওলোটা হৈ থকাৰ অভিযোগ আনে। উল্লেখ্য যে, এইগৰাকী দেৱলাল গাৰ্লোছাৰ অলেখ বিতৰ্ক জড়িত হৈ আছে। শেহতীয়াকৈ ভূমি দখল, অঙহী-বঙহীক চাকৰি দিয়া, চিণ্ডিকেট চলাই ধন সংগ্ৰহ কৰাৰ অভিযোগ উত্থাপন হৈছে গাৰ্লোছাৰ বিৰুদ্ধে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# সংবাদ মাধ্যমৰ ৰামটাঙোন

পৃথিৱীৰ গতি তীব্ৰ কৰি তুলিছে। এই গ্ৰহটোৰ গৰ্ভত থকা মেগনেটিক বলটো পূৰ্বতকৈ অধিক গতিত ঘূৰিবলৈ ধৰিছে সেয়েহে চাৰে ৩৬৫ দিনৰ দিন-ৰাতিবোৰ যেন এতিয়া ক্ষীপ্ৰ লগা হৈছে। সৌসিদিনা আৰম্ভ হোৱা বছৰটো শেষ হ'লেই আৰু এটা নতুন আৰম্ভ হৈ পৰিল, এয়াও শেষ হ'বই, এয়াই যাত্ৰাপথ।

এতিয়া বাৰু জীৱন যুদ্ধও বাঢ়িছে। জীৱন যাপন কৰিবলৈ বাদ দি মানুহে জীৱন জীয়াই থকাটোৱে মূল লক্ষ্য কৰি লৈছে। যন্ত্ৰৰ দৰে কাম ব্যস্ত থাকি সাঁচতীয়া ধনেৰে প্ৰমোদ বিহাৰ আৰু আমোদ-ভোজনত খৰচ কৰাটোৱে জীৱনৰ উদ্দেশ্য কৰি লৈছে। এনে তীব্ৰ গতিৰ জীৱন যাপনত সময় অধিক তীব্ৰ কৰি তুলিবলৈ মানুহৰ হাতত স্মাৰ্টফোন আহিছে। এই স্মাৰ্টফোনত নূন্যতম খৰচত মানুহে অত্যাধিক মনোৰঞ্জনো লাভ কৰিছে। গতিকে হাতত সময় নথকাটোৱেই সাধাৰণ কথা হৈ পৰিছে।

এইদৰে সময় নোহোৱা সময়খিনিত আপুনি বাৰু অন্য কথা কিবা চিন্তা কৰিব পাৰিছেনে? মানে কেতবোৰ আধ্যাত্মিক কথা? কেতবোৰ মননশীল-সৃষ্টিশীল কথা? পৰিৱৰ্তিত সমাজ ব্যৱস্থাৰ কথা? চৰকাৰৰ নীতি-সিদ্ধান্তবোৰত চকু ৰাখিছেনে? চৰকাৰ-প্ৰশাসনৰ কেতবোৰ কথাকলৈ গা বেজ বেজাইছে নে? অৱশ্যে এয়া কঠিন কিয়নো সময় নোহোৱা সময়খিনিত এনেবোৰ চিন্তা নহাই স্বাভাৱিক! ইয়াৰ অৰ্থ এটাই, আপুনি ৰামটাঙোনৰ বিষ পোৱা নাই। আজিৰ পৰা এটা দশক পূৰ্বে আপোনালোকে সংবাদ মাধ্যমত সঘনাই ব্যৱহাৰ হোৱা ৰাম টাঙোন শব্দযুগল প্ৰায়েই দেখিছিল আৰু অনুভৱ কৰিছিল। পূৰ্বৰ শাসনকালবোৰত সংবাদ মাধ্যমে যেতিয়া ৰাম টাঙোনৰ উদ্ধৃতি দি বাতৰি কৰিছিল তেতিয়া ৰাইজ চিন্তাক্লিষ্ট হৈ পৰিছিল, প্ৰতিবাদ কৰিবলৈ আগবাঢ়ি আহিছিল। পূৰ্বৰ শাসনবোৰৰ দিনত সংবাদ মাধ্যমৰ ৰামটাঙোনৰ বাতৰিয়ে ৰাইজক প্ৰতিবাদমুখৰ কৰি তুলিছিল। সংবাদ মাধ্যমত চৰকাৰ-প্ৰশাসনৰ নিৰ্মোহ সমালোচনাই ৰাইজক ব্যস্ত ৰাখিছিল, প্ৰতিটো খবৰে ৰাইজৰ মনত সজাগতাৰ লগতে উদ্বেগ সৃষ্টি কৰি ৰাখিছিল।

কিন্তু বিগত এটা দশকত, সংবাদ মাধ্যমে ৰাম টাঙোনৰ কথা পাহৰি গৈছে। বা অধিক বহলাই ক'লে, ৰাম টাঙোন দিবলৈ সংবাদ মাধ্যম অপৰাগ হৈ পৰিছে। সংবাদ মাধ্যমৰ কথা বাদেই দিলোঁ কিন্তু এতিয়া একোতেই ৰাম টাঙোন নোপোৱা সাধাৰণ ৰাইজ উন্নয়নৰ মাদকতাত এতিয়া মতলীয়া হৈ থাকে। সকলো কথা পাহৰি থাকে। ইয়াৰ মাজত দুই এক ব্যক্তিয়ে ৰামটাঙোনৰ অলপ বিষ অনুভৱ কৰিব বিচাৰিলেও টিভি, কাকত, ডিজিটেলৰ মনোৰঞ্জনধৰ্মী বাতৰিয়ে সেই বিষ পলকতে নাইকীয়া কৰি পেলায়। ইয়াৰ লগতে পূজা, ৰাস, বৰদিন, ৩১ ডিচেম্বৰ, মাঘৰ উৰুকা এনেকৈ সংখ্যাধিক্য ভোজভাত, সুৰাৰ পাৰ্টীয়ে জনতাক সকলো পাহৰাই ৰাখে। এনেকুৱা কথা-কৰ্মৰ পৰা সহজেই বুজিব পাৰি যে অসমীয়া সমাজত ভোগ মানেই সুখ।

বিভিন্ন কাৰকৰ ফলত সংবাদ মাধ্যমো এতিয়া ভোগত মতলীয়া হ'বলৈ বাধ্য হৈ পৰিছে। সেয়েহে ৰামটাঙোনবোৰৰ ব্যৱহাৰ এতিয়া সংবাদ মাধ্যমত পাবলৈ নাই। সমাজ সচেতকৰ ৰূপত আত্মপ্ৰকাশ কৰি থকা সংবাদ মাধ্যমত পাবলৈ নোপোৱা বস্তুটোৱে অসমীয়া ৰাইজক সুখৰ দিনত ৰাখিছে। ব্যক্তি আৰু প্ৰশাসনিক দুৰ্নীতিৰ খবৰবোৰ আৰু ক'ৰবাত, ক'ৰবাত আত্মহত্যা, পৰিয়ালকেন্দ্ৰিক কন্দল, ঋণগ্ৰস্ততাৰ বাতৰিবোৰ আহে যদিও সেইবোৰৰ বাস্তৱিক পৰ্যালোচনা সীমিত পৰিসৰতে সীমাৱদ্ধ হৈ পৰিছে। এই সংখ্যালঘু হতাশ শ্ৰেণীক বাদ দি বৃহত্তৰ জনতাৰ সমূহ বৰ্তমান সুখত ব্যস্ত।

ৰাম টাঙোনৰ প্ৰয়োজন নথকা এই অসমীয়া সমাজ নিশ্চিতভাবে উন্নয়নৰ দিশতেই আগবাঢ়িছে নে তেওঁলোক পৃথিৱীৰ পৰিৱৰ্তিত ক্ষীপ্ৰতাত দ্বিধাগ্ৰস্ত হৈ পৰিছে। স্মাৰ্টফোন আৰু জীৱনৰ সংগ্ৰামত ব্যস্ত হৈ পৰা এই ক্ষুদ্ৰ অসমীয়া জাতিসত্ত্বা যে ক'ব নোৱাৰাকৈ এক মুষ্টিমেয় শ্ৰেণীৰ দাসত্বত বন্দী হৈ পৰিছে সেয়া উপলব্ধি কৰিব পাৰিবনে? জনতাৰ মূৰত যদিহে এক মুষ্টিমেয় পুঁজিপতিয়ে ৰামটাঙোন দি বিষ অনুভৱ নকৰাই উন্নয়নৰ নিচা দিবলৈ সক্ষম হৈছে তেন্তে প্ৰকৃত সত্য উপলব্ধি কৰাবলৈ কোন আগবাঢ়ি আহিব?

গণতন্ত্ৰৰ তিনি অভিন্ন অংগ কাৰ্য্যপালিকা, বিধানপালিকা আৰু ন্যায়পালিকাক সদা সচেষ্ট আৰু সক্ৰিয় কৰি ৰাখিবলৈ গণতন্ত্ৰৰ চতুৰ্থস্তম্ভ সংবাদ মাধ্যমৰ দায়িত্ব অনেক, সেয়েহে জনতাৰ মূৰত পৰি থকা ৰামটাঙোনটোৰ কথা যিমান সোনকালে সংবাদমাধ্যমে কৰিব পাৰে সিমানেই অসমীয়াৰ বাবে উপকাৰী হৈ পৰিব।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# কুমাৰ ভাস্কৰ বৰ্মাৰ নামত দলঙৰ নাম

অনুষ্ঠানত বিশিষ্ট সাংবাদিকৰ সৈতে আলাপ কৰি ব্ৰহ্মপুত্ৰৰ ওপৰত নিৰ্মাণ হৈ থকা দলংখনৰ উত্তৰ গুৱাহাটী-গুৱাহাটী সংযোগী দলংখনৰ নাম ঘোষণা কৰিছে। দলঙখনৰ নাম ঐতিহাসিকভাৱে কামৰূপৰ ৰজাৰ নামত ৰখাৰ ঘোষণা কৰিছে। বৰ্মন ৰাজবংশৰ ৰজা কুমাৰ ভাস্কৰ বৰ্মাৰ নামত 'কুমাৰ ভাস্কৰ বৰ্মা সেঁতু' ৰখাৰ ঘোষণা কৰিছে মুখ্যমন্ত্ৰীয়ে। উত্তৰ গুৱাহাটী-গুৱাহাটী সংযোগ ব্ৰহ্মপুত্ৰৰ ওপৰত নিৰ্মাণ আজিলৈ সমাপ্ত হোৱা নাই। দলঙখনৰ কাম সম্পূৰ্ণ নৌহওঁতেই দলঙখনৰ নামকৰণ কৰিছে মুখ্যমন্ত্ৰীয়ে। কামৰূপৰ প্ৰসিদ্ধ নৃপতি কুমাৰ ভাস্কৰ বৰ্মাৰ ঐতিহ্য-অৱদানক জীয়াই ৰখাৰ বাবে এয়া অসম চৰকাৰৰ বিনম্ৰ প্ৰয়াস বুলি কয় মুখ্যমন্ত্ৰীয়ে। ঐতিহাসিক কামৰূপ ৰাজ্যত ৰাজত্ব কৰিছিল বৰ্মন ৰাজবংশই। বৰ্মন ৰাজবংশৰ সকলোতকৈ চৰ্চিত আৰু প্ৰসিদ্ধ শাসক আছিল কুমাৰ ভাস্কৰ বৰ্মা। কুমাৰ ভাস্কৰ বৰ্মা আৰু সুপ্ৰতিষ্ঠ বৰ্মা দুই ভাতৃ আছিল। সুপ্ৰতিষ্ঠ বৰ্মাৰ মৃত্যুত ৰাজসিংহাসনত বহিছিল কুমাৰ ভাস্কৰ বৰ্মা। কুমাৰ ভাস্কৰ বৰ্মাৰ মৃত্যুৰ পিছত উত্তৰাধিকাৰী নথকাৰ কামৰূপ ৰাজ্য ম্লেচ্ছৰাজ বংশই শাসন প্ৰতিষ্ঠা কৰিছিল। ২০১৯ চনত উত্তৰ গুৱাহাটী-গুৱাহাটী সংযোগী দলংখনৰ আধাৰশিলা স্থাপন কৰিছিল প্ৰধানমন্ত্ৰী মোদীয়ে। ২০২৩ৰ ভিতৰত দলঙখনৰ নিৰ্মাণ সমাপ্ত কৰিব খুজিছিল যদিও এতিয়ালৈ ৬টা খুঁটাহে সম্পূৰ্ণ হৈছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# মহানগৰীত আকৌ যুৱতীৰ মৃতদেহ

কিছু সময় পিছতে গুৱাহাটী মহানগৰীত এগৰাকী যুৱতীৰ মৃতদেহ ৰহস্যজনক অৱস্থাত উদ্ধাৰ হৈছে। বছৰৰ পহিলা দিনটোত গুৱাহাটীত মহানগৰীৰ ৰাজগড়ত যুৱতীৰ মৃতদেহ ৰহস্যজনক অৱস্থাত উদ্ধাৰ হোৱাত হত্যা কৰাৰ সন্দেহ কৰা হৈছে। ইপিনে আত্মহত্যা কৰাৰো সন্দেহ কৰা হৈছে। যুৱতীগৰাকীৰ নাম পায়েল শইকীয়া। পায়েল শইকীয়াৰ মৃতদেহ ৰাজগড়ৰ ভাড়াঘৰত ৰহস্যজনক অৱস্থাত উদ্ধাৰ হৈছে। পায়েল শইকীয়াৰ ঘৰ গুৱাহাটীতে যদিও ৰাজগড়ত বান্ধৱীৰ সৈতে এটা ভাড়াঘৰত আছিল বুলি জানিব পৰা গৈছে। গুৱাহাটীৰ ছাত্ৰীবাৰীত ঘৰ পায়েলৰ। পায়েলে চানমাৰি এলেকাৰ ৰাজগড়ত এগৰাকী বান্ধৱীৰ সৈতে ভাড়াঘৰত আছিল। কিন্তু আজি দিনৰভাগত হঠাতে ভাড়াঘৰৰ এটা কোঠাত তেওঁৰ মৃতদেহ উদ্ধাৰ হয়। ৩১ ডিচেম্বৰৰ নিশা বান্ধৱী পায়েলৰ সৈতে থকাৰ সময়তে দিনৰ ভাগত পায়েলৰ মৃতদেহ উদ্ধাৰ হয়। গুৱাহাটীৰ ছাত্ৰীবাৰীৰ ঘৰ যুৱতীগৰাকীক মৃতদেহ ৰাজগড়ৰ ভাড়াঘৰত উদ্ধাৰৰ ঘটনাই চাঞ্চল্যৰ সৃষ্টি কৰিছে। এয়া হত্যাকাণ্ড নে আত্মহত্যা তাক লৈ ৰহস্যৰ সৃষ্টি হৈছে। ২০২৪ বৰ্ষৰ ডিচেম্বৰ মাহত গুৱাহাটীত কেইবাটাও নাৰীজনিত অপৰাধ সংঘটিত হৈছে। গুৱাহাটীৰ নাহৰণি পথত মৌচুমী গগৈক হত্যা কৰা হৈছিল। তাৰ পিছতে মহানগৰীৰ গাড়ীগাঁৱত বৰলুইতৰ ঘাটত হত্যা কৰা হৈছিল ১৩ বছৰীয়া ছাত্ৰী জুহি দাস আৰু স্কুলভান চালক হীৰকজ্যোতি দাসক। এতিয়া গুৱাহাটীত প্ৰায়ে এনে ঘটনা সংঘটিত হৈ আহিছে। এনে ঘটনা সমূহৰ দ্বাৰা প্ৰমাণ হয় যে ৰাজ্যৰ ৰাজধানী গুৱাহাটীতে সুৰক্ষিত নহয় নাৰী!

■ প্ৰথম পৃষ্ঠাৰ পৰা...

## জিম্বাবৱেত আৰু নাথাকিব মৃত্যুদণ্ড!

দক্ষিণ আফ্ৰিকাৰ দেশখনৰ পৰা বিলুপ্তি ঘটিল মৃত্যুদণ্ডৰ প্ৰথা। মৃত্যুদণ্ডৰ শাস্তিৰ অন্ত পেলাই দেশৰ সংসদে এই কঠোৰ শাস্তি অন্ত পেলোৱাৰ কথা আনুষ্ঠানিকভাৱে ঘোষণা কৰি গৃহীত কৰিছে এক বিধেয়ক। ইয়াৰ সমান্তৰালভাৱে দেশখনত দীৰ্ঘদিন ধৰি লম্বিত হৈ থকা ৬০জন আচামীৰ মৃত্যুদণ্ড শাস্তি সলনি কৰি এতিয়া কাৰাদণ্ডলৈ পৰিৱৰ্তন কৰা হৈছে। উল্লেখ্য যে, জিম্বাব'ৱেত শেষবাৰৰ বাবে মৃত্যুদণ্ড দিয়া হৈছিল ২০০৫ চনত। যদিও তেতিয়াৰ পৰাই এই শাস্তি কাৰ্যকৰীভাৱে বিলুপ্ত কৰা হৈছিল, তথাপিও ২০২৪ চনত ইয়াক আইনগতভাৱে স্বীকৃতি দিয়া হয়। ২০১৭ চনত ৰাষ্ট্ৰপতি ইমাৰ্ছন মনানগাগৱাই মৃত্যুদণ্ডৰ শাস্তি সম্পূৰ্ণৰূপে নিষিদ্ধ কৰাৰ প্ৰস্তাৱ আগবঢ়াইছিল। স্বাধীনতা সংগ্ৰামৰ সময়ত নিজেই মৃত্যুদণ্ডৰ শাস্তি লাভ কৰা আৰু পিছলৈ ক্ষমা কৰা মনানগাগৱাই অৱশেষত নিজৰ সপোন বাস্তৱায়িত কৰিবলৈ সক্ষম হয়। আন্তঃৰাষ্ট্ৰীয় মানৱ অধিকাৰ সংস্থা এমনেষ্টী ইণ্টাৰনেশ্যনেলৰ তথ্য অনুসৰি বৰ্তমান বিশ্বৰ ১১৩খন দেশত মৃত্যুদণ্ড সম্পূৰ্ণৰূপে নিষিদ্ধ কৰা হৈছে। ইতিমধ্যে আফ্ৰিকাৰ ২৪খন দেশে এই পদক্ষেপ গ্ৰহণ কৰিছে। পৰ্তুগাল, ডেনমাৰ্ক, নৰৱে' আৰু কাজাখস্তানৰ দৰে দেশো এই তালিকাত অন্তৰ্ভুক্ত কৰা হৈছে। কিন্তু ভাৰত, পাকিস্তান, আমেৰিকা, চীন, ইৰাণ, চৌদি আৰবকে ধৰি কেইবাখনো দেশে এতিয়াও এই শাস্তি বাহাল ৰাখিছে। এমনেষ্টীৰ তথ্য অনুসৰি ২০২৩ চনত বিশ্বজুৰি ১১৫৩টা মৃত্যুদণ্ডৰ শাস্তি বিহা হৈছিল। ইয়াৰে ৯০ শতাংশ শাস্তিয়েই বিহা হৈছিল ইৰাণ আৰু চৌদি আৰৱত। ইফালে জিম্বাব'ৱেৰ এই পদক্ষেপে আফ্ৰিকা আৰু বিশ্বৰ মানৱ অধিকাৰৰ বাবে নতুন পথ দেখুৱাব বুলি আশা কৰা হৈছে। মৃত্যুদণ্ড বিলুপ্তিৰ সিদ্ধান্তই বিশ্বৰ আন দেশসমূহক অনুপ্ৰাণিত কৰিবনে নাই সেয়া হ'ব লক্ষ্যণীয়।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

## ৩ জানুৱাৰীত ড০ দীনেশ বৈশ্যৰ

ড০ দীনেশ বৈশ্যই সাহিত্য জীৱনৰ ৫০টা বৰ্ষ সম্পূৰ্ণ কৰিছে। সাহিত্য জীৱনৰ ৫০টা বৰ্ষ সম্পূৰ্ণ কৰা উপলক্ষে তেওঁৰ জন্মদিনৰ দিনা অৰ্থাৎ ৩ জানুৱাৰীত সাহিত্যৰ জীৱনক লৈ লিখি উলিওৱা 'সাহিত্যৰ প্ৰজ্ঞা' শীৰ্ষক গ্ৰন্থখন উন্মোচন কৰা হ'ব। বি বৰুৱা মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ ড০ দীনেশ বৈশ্যৰ একাংশ প্ৰাক্তন ছাত্ৰ আৰু অনুগামীয়ে যুগুত কৰি উলিওৱা 'সাহিত্যৰ প্ৰজ্ঞা' সম্পাদনা কৰিছে ড০ হৰকুমাৰ নাথে। এই উপলক্ষে গুৱাহাটীৰ উজানবজাৰস্থিত হোটেল ব্লু-মুনত ৩ জানুৱাৰীত দিনৰ ২ বজাত এক আড়ম্বৰপূৰ্ণ অনুষ্ঠানৰ আয়োজন কৰা হৈছে। গুৱাহাটীৰ ৰাজগড়ৰ অবাক প্ৰকাশনে প্ৰকাশ কৰা গ্ৰন্থখন অসম ডনবস্ক বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ফাদাৰ ড০ যোছেফ পলেলি, জ্যেষ্ঠ সাংবাদিক নিতুমণি শইকীয়া আৰু গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ৰ অধ্যাপক ডা০ ভৱেশ কুমাৰ দাসৰ উপস্থিতিত উন্মোচন কৰা হ'ব। ওৰে জীৱন সাহিত্য সাধনা কৰা ড০ দীনেশ বৈশ্যৰ কেবাখনো গ্ৰন্থ অসমৰ পঢ়ুৱৈৰ মাজত বিপুলভাৱে জনপ্ৰিয়। ২০১৮ চনৰ ৩ জানুৱাৰীত 'বিপন্ন দেশ কাল সমাজ' আৰু 'একলব্যৰ পৰা ৰোহিত ভেমুলালৈ' শীৰ্ষক দুখন গ্ৰন্থ উন্মোচন  কৰা হৈছিল। শিক্ষাব্যৱস্থা, চৰকাৰৰ জনবিৰোধী নীতি, পুঁজিপতিৰ হাতোৰাত বন্দী অৰ্থ ব্যৱস্থা, দৰিদ্ৰ, খাটি খোৱাৰ দুৰৱস্থাৰ এখন স্পষ্ট প্ৰতিচ্ছবি দাঙি ধৰিছিল 'বিপন্ন দেশ কাল সমাজ' আৰু 'একলব্যৰ পৰা ৰোহিত ভেমুলালৈ' নামৰ গ্ৰন্থ দুখনত। ড০ বৈশ্যই দীৰ্ঘকালৰ সাহিত্যৰ সাধনা আৰু অধ্যয়নৰ জৰিয়তে সংকটৰ সময়ত অসমীয়া জাতিক বাট দেখুৱাই বিভিন্ন গুৰুত্বপূৰ্ণ বিষয়ত যুক্তিপূৰ্ণভাৱে লেখা-মেলা কৰি আহিছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

## বাংলাদেশৰ সেনা প্ৰধানৰ সলনি সুৰ!

খনৰ সেনা প্ৰধান জেনেৰেল ৱাকাৰ-উজ-জামানে। নতুন বছৰৰ আৰম্ভণিতে ভাৰতৰ সৈতে সম্পৰ্ক বজাই ৰখাৰ প্ৰতি আগ্ৰহ ব্যক্ত কৰে বাংলাদেশৰ সেনাপ্ৰধানগৰাকীয়ে। অৱশ্যে তেওঁ লগতে কয় যে বাংলাদেশৰ ওপৰত ভাৰতৰ কৰ্তৃত্ব আছে বুলি সাধাৰণ ৰাইজৰ অনুভৱ হ'ব নালাগে। ৱাকাৰ-উজ-জামানে কয় যে ভাৰত বাংলাদেশৰ বাবে অতি গুৰুত্বপূৰ্ণ চুবুৰীয়া ৰাষ্ট্ৰ। যদিও বাংলাদেশ ভাৰতৰ ওপৰত নিৰ্ভৰশীল, ভাৰতেও কিছুমান ক্ষেত্ৰত বাংলাদেশৰ পৰা লাভৱান হয়। তেওঁৰ মতে, ই এটা দিয়া-লোৱাৰ সম্পৰ্ক আৰু পাৰস্পৰিক বুজাবুজিৰ জৰিয়তে এই সম্পৰ্কক আৰু অধিক শক্তিশালী কৰাটো সম্ভৱ হ'ব। জেনেৰেল ৱাকাৰে লগতে কয় যে বাংলাদেশে চুবুৰীয়া ৰাষ্ট্ৰৰ বিৰুদ্ধে এনে কোনো কাম নকৰে যিটো তেওঁলোকৰ কৌশলগত স্বাৰ্থৰ বিপৰীত হ'ব। চুবুৰীয়া দেশসমূহে বাংলাদেশৰ স্বাৰ্থৰ বিৰুদ্ধে একো নকৰে বুলিও তেওঁ আশা প্ৰকাশ কৰে। কোনো চুবুৰীয়া দেশৰ নাম পোনপটীয়াকৈ উল্লেখ নকৰাকৈ সেনাপ্ৰধানগৰাকীয়ে সীমান্তত বাংলাদেশী নাগৰিকক অপ্ৰত্যাশিতভাৱে হত্যা আৰু প্ৰাপ্য পানী লাভ কৰাৰ বিষয়টোও উত্থাপন কৰে। এনে সম্পৰ্ক বজাই ৰাখি বাংলাদেশৰ সেনা প্ৰধানগৰাকীয়ে ভাৰতৰ সৈতে উন্নত সম্পৰ্কৰ আশা প্ৰকাশ কৰে। জেনেৰেল ৱাকাৰে পাৰস্পৰিক সহযোগিতাৰ ভিত্তিত বাংলাদেশ আৰু ভাৰতৰ মাজত সুসম্পৰ্ক বজাই ৰখাৰ গুৰুত্বৰ ওপৰত আলোকপাত কৰে। তেওঁ কয় যে বহু ভাৰতীয় নাগৰিকে বাংলাদেশত কাম কৰি আছে, আনহাতে বাংলাদেশী নাগৰিকে চিকিৎসাৰ বাবে ভাৰতলৈ গৈছে। একেদৰে বাংলাদেশে ভাৰতৰ পৰা সামগ্ৰীও ক্ৰয় কৰি আছে। এই পৰিস্থিতিত বাংলাদেশ আৰু ভাৰতৰ স্থিতিশীলতা ইজনে সিজনৰ স্বাৰ্থৰ সৈতে জড়িত বুলি মন্তব্য কৰে জেনেৰেল ৱাকাৰে।

# মাণিকপুৰ আঞ্চলিক পুথিভঁৰালৰ নৱম বৰ্ষপূৰ্তি অনুষ্ঠান সম্পন্ন, গ্ৰন্থ উন্মোচন

**ই-সংবাদ, কোকিলা ১ জানুৱাৰীঃ** বঙাইগাঁও জিলাৰ মাণিকপুৰ উন্নয়ন খণ্ডৰ অন্তৰ্ভুক্ত মাণিকপুৰ শিল্পী সংঘৰ প্ৰাঙ্গণত বছৰৰ প্ৰথম দিনটো এক ব্যতিক্ৰমী ভাৱে পালন কৰা হয়। মাণিকপুৰ আঞ্চলিক পুথিভঁৰাল নৱম বৰ্ষপুতি অনুষ্ঠানঃ উদযাপন কৰা হয়। এই বৰ্ষপুতি অনুষ্ঠানত মাণিকপুৰ বৰবিলাৰ স্থায়ী বাসিন্দা শ্ৰী লক্ষেশ্বৰ ৰায়ে লিখা জ্যোতিপ্ৰসাদ আগৰৱালাৰ চিন্তাধাৰাঃ বস্তুনিষ্ঠ মূল্যায়নৰ প্ৰয়াস উন্মোচন কৰে, অসম সাহিত্য সভাৰ বঙাইগাঁও জিলাৰ প্ৰাক্তন সভাপতি অশ্বিনী কুমাৰ ৰায়ে আৰু সু সাহিত্যিক কৰুণাকান্ত ৰায়ে। এই উন্মোচনী সভাতে অসম চৰকাৰে আগবঢ়োৱা ২০২৪-২০২৫ বৰ্ষৰ সাহিত্য বটাঁপ্ৰাপ্ত মাণিকপুৰৰ সু-নাগৰিক কৰুণাকান্ত ৰায়ক মাণিকপুৰ আঞ্চলিক পুথিভঁৰালৰ তৰফৰ পৰা সম্বৰ্ধনা জনোৱা হয়। গ্ৰন্থ উন্মোচনৰ পিছতে দুয়ো উন্মোচকে সাৰগৰ্ভ ভাষণ ৰাখে আৰু জ্যোতি প্ৰসাদৰ চিন্তাধাৰাৰে আগুৱাই অসম খন মানুহৰ সময়োপযোগী কৰি গঢ়ি তুলিবলৈ প্ৰয়াস কৰিবলৈ আহ্বান জনায়। সভাত সভাপতিত্ব কৰে বিশিষ্ট সমাজ কৰ্মী, প্ৰগতিশীল কবি ও প্ৰবন্ধকাৰ শ্ৰী শৈলেন ৰায়ে। সভাত উপস্থিত থাকে বিভিন্ন বিশিষ্ট ব্যক্তিৰ লগতে মাণিকপুৰৰ প্ৰখ্যাত চিত্ৰশিল্পী শ্ৰী পৱিত্ৰ সৰকাৰ। আজিৰ বিশেষ দিনটোত অনুষ্ঠান আৰম্ভ কৰা কৰে শিল্পী সংঘৰ সদস্য সকলৰ দ্বাৰা পৰিবেশীত সমবেত সংগীতিৰে। অনুষ্ঠানৰ শেষত বিভিন্নজনে নানা ধৰণৰ সংগীত পৰিবেশন কৰি পৰিবেশ আনন্দময় কৰি তোলে।

# চামগুৰি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ মহাৰজত জয়ন্তী বৰ্ষৰ শুভাৰম্ভ




**ই-সংবাদ, পুৰণিগুদাম, ১ জানুৱাৰী:** নৱবৰ্ষৰ প্ৰথম দিনটোতেই নগাঁও জিলাৰ চামগুৰি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ মহাৰজত জয়ন্তী বৰ্ষৰ শুভাৰম্ভ কৰা হয়। চামগুৰিৰ বৃহত্তৰ অঞ্চলৰ কেইবাজনো সচেতন নাগৰিকৰ প্ৰচেষ্টাত প্ৰতিষ্ঠা হোৱা চামগুৰি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খনৰ মহাৰজত জয়ন্তী বৰ্ষৰ আজি শুভাৰম্ভণী অনুষ্ঠানত পুৱা পতাকা, উত্তোলন স্মৃতি তৰ্পণ আদিকে ধৰি বিভিন্ন অনুষ্ঠান অনুষ্ঠিত হয়। পৰৱৰ্তী সময়ত এক বৰ্ণাঢ্য সাংস্কৃতিক শোভাযাত্ৰা কৰা হয়। উক্ত সাংস্কৃতিক শোভাযাত্ৰাত চামগুৰিৰ স্থানীয় একাংশ ৰাইজৰ লগতে প্ৰাক্তন ছাত্ৰ-ছাত্ৰী আৰু বৰ্তমান বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে অংশগ্ৰহণ কৰে। পৰৱৰ্তী সময়ত "আলোক" নামৰ এখন প্ৰাচীৰ পত্ৰিকা উন্মোচন কৰে চামগুৰি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ দুৰ্লভ মহন্তই। প্ৰাচীৰ পত্ৰিকা উন্মোচনৰ পিছত এখন মুকলি সভা অনুষ্ঠিত হয়। চামগুৰি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰিচালনা আৰু উন্নয়ন সমিতিৰ সভাপতি তীৰ্থ দাসৰ সভাপতিত্বত অনুষ্ঠিত হোৱা মুকলি সভাখনত মুখ্য অতিথি হিচাপে চামগুৰি মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ইন্দ্ৰজিৎ বেজবৰুৱা উপস্থিত থাকি ভাষণ প্ৰদান কৰে। চামগুৰি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সহঃশিক্ষক ধ্ৰুৱ ভৰালীয়ে আঁত ধৰা মুকলি সভা খনত চামগুৰি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ ক্ৰমে দুৰ্লভ মহন্ত, প্ৰদীপ কুমাৰ দাস, ৰবীন কলিতা আৰু অধ্যক্ষ ৰাজীৱ কুমাৰ দাস উপস্থিত থাকি ভাষণ প্ৰদান কৰে। উক্ত মুকলি সভাখনত বিশিষ্ট সমাজসেৱক মৃদুল কলিতা, ভৰত দাস, পাৰ্থপ্ৰতিম হাজৰিকাকে ধৰি অঞ্চলৰ বহুকেইজন গণ্যমান্য লোক উপস্থিত থাকে। আজি অনুষ্ঠিত হোৱা মহাৰজত জয়ন্তী বৰ্ষৰ শুভাৰম্ভ অনুষ্ঠানত চামগুৰি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ শিক্ষয়িত্ৰী সকলে সমবেত সংগীত পৰিবেশন কৰে। আজিৰ অনুষ্ঠানত বিদ্যালয়খনৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ লগতে অঞ্চলৰ একাংশ স্থানীয় লোক আৰু বিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীসকল উপস্থিত থাকে।

# জাগীৰোডত কেইমাহমানতে বিজেপিয়ে আমুৰালে সংখ্যালঘু নেতাক

**ই-সংবাদ, লাহৰীঘাট, ১ জানুৱাৰীঃ** সমাগত পঞ্চায়ত নিৰ্বাচন। পঞ্চায়ত নিৰ্বাচনক লৈ মৰিগাঁৱত তৎপৰ হৈ পৰিছে বিজেপি, কংগ্ৰেছ, অগপ, এআইইউডিএফকে আদি কৰি বিভিন্ন ৰাজনৈতিক দলসমূহ। যি সময়ত ৰাজনৈতিক দলবোৰে পঞ্চায়ত নিৰ্বাচনৰ বাবে নিজৰ ভেটি মজবুত কৰাত উঠি-পৰি লাগিছে ঠিক তেনে সময়তেই বিভিন্ন ঠাইত একাংশ নেতা-কৰ্মীয়ে নিজ দল ত্যাগ কৰি অন্য দলত যোগদান কৰা পৰিলক্ষিত হৈছে। মৰিগাঁও জিলাৰ জাগীৰোড মণ্ডল বিজেপি অন্তৰ্গত এগৰাকী প্ৰাথমিক পৰ্যায়ৰ সদস্যই শেহতীয়াকৈ বিজেপি দল ত্যাগ কৰি পদত্যাগ পত্ৰ এখন প্ৰেৰণ কৰে দলৰ মণ্ডল সভাপতি আৰু সম্পাদকলৈ। উল্লেখ্য যে জাগীৰোড সমষ্টিৰ অন্তৰ্গত গুলজাৰ হুছেইন(অধিবক্তা)নামৰ যুৱকজনে কিছু মাহ পূৰ্বে মন্ত্ৰী পীযুজ হাজৰিকাৰ উপস্থিতিত বিজেপি দলৰ প্ৰাথমিক সদস্য পদ গ্ৰহণ কৰিছিল। পত্ৰখনত উল্লেখ কৰা মতে, যুৱকজনে ব্যক্তিগত বিশেষ কাৰণত বিজেপি দলৰ সদস্য পদৰ পৰা অব্যাহতি লৈছে আৰু মণ্ডল কমিটীৰ সভাপতি-সম্পাদকলৈ এখন পদত্যাগ পত্ৰ প্ৰেৰণ কৰে। আজিৰে পৰা তেওঁ বিজেপি দলৰ কোনো সদস্য নহয় বুলি যুৱকজনে সংবাদ মাধ্যমৰ জৰিয়তে জানিবলৈ দিয়ে।

# বৃদ্ধাশ্ৰমত ককা-আইতাৰ সৈতে ইংৰাজী নৱবৰ্ষ পালন কৰিলে চৰাইদেউ প্ৰেছ ক্লাবে

**ই-সংবাদ, মথুৰাপুৰ, ১ জানুৱাৰীঃ** ইংৰাজী নৱবৰ্ষ ২৫ৰ প্ৰথম দিনটোতে মথুৰাপুৰ মাজগাঁওস্থিত বয়োজ্যেষ্ঠ আশ্ৰমত থকা ককা-আইতাসকললৈ চৰাইদেউ প্ৰেছ ক্লাবে আগবঢ়ালে দুপৰীয়াৰ এসাঁজ আহাৰ। নতুন বছৰৰ দিনটোত কোনো বনভোজ থলীত গৈ বনভোজ খোৱাৰ পৰিৱৰ্তে মথুৰাপুৰ মাজগাঁওস্থিত বয়োজ্যেষ্ঠ আশ্ৰমত ককা-আইতাসকলৰ সৈতে দুখ-সুখৰ খবৰ লোৱাৰ লগতে দুপৰীয়াৰ এসাঁজ মাছে-মাংসই তৃপ্তিৰে খালে ককা-আইতাৰসকলৰ লগতে চৰাইদেউ প্ৰেছ ক্লাবৰ বিষয়ববীয়া তথা  সতীৰ্থসকলে। সন্তানক ডাঙৰ-দীঘল কৰি একাংশ পিতৃ-মাতৃ থাকিব লগীয়া হৈছে বৃদ্ধাশ্ৰমত। উপায়বিহীন সন্তানে পিতৃ-মাতৃক বৃদ্ধাশ্ৰমত সপি নিজৰ দায়িত্ব সামৰিছে। আনহাতে, আন একাংশই ঘৰৰ, আত্মীয়ৰ অনীহা, অত্যাচাৰ সহিব নোৱাৰি অসহায় অৱস্থাত শেষ আশ্ৰয় হিচাপে বৃদ্ধাশ্ৰম এখন বাচি লৈছে। সেয়ে আশ্ৰমত থকা পিতৃ-মাতৃসকলক মনত কিছু আনন্দ আৰু সকাহ দিয়াৰ উদ্দেশ্যে ইংৰাজী নতুন বছৰৰ প্ৰথম দিনটোত ককা-আইতাৰ সৈতে অতিবাহিত কৰিলে প্ৰেছ ক্লাবৰ বিষয়ববীয়া আৰু সতীৰ্থসকলে।



বিশিষ্ট বুদ্ধিজীৱি ড০ নগেন শইকীয়াৰ আশীৰ্বাদ গ্ৰহণ অসম জাতীয় পৰিষদৰ সভাপতি লুৰীণজ্যোতি গগৈৰ

# নৱবৰ্ষৰ প্ৰথম দিনা বগৰীবাৰীৰ ঐতিহাসিক মা মহামায়া মন্দিৰত ভক্তৰ ভিৰ

**ই-সংবাদ, পৰ্বতঝোৰা, ১ জানুৱাৰীঃ** কোকৰাঝাৰ জিলাৰ পৰ্বততঝোৰা মহকুমাৰ অন্তৰ্গত বগৰীবাৰীৰ ঐতিহাসিক মা মাহামায়া মন্দিৰত আজি ইংৰাজী নৱবৰ্ষৰ প্ৰথম দিনটোত মহামায়া দেৱী মাৰ আশীৰ্বাদ বিচাৰি অগণন ভক্তই ভিৰ কৰা পৰিলক্ষিত হয়। আজি পুৱাৰে পৰা ৰাজ্যখনৰ বিভিন্ন ঠাইৰ পৰা আহি ভক্ত প্ৰাণ ৰাইজ মা মহামায়া মন্দিৰৰ বাকৰিত সমবেত হয়। মা মহামায়াৰ ওচৰত পূজা-অৰ্চনা আগবঢ়াই ভক্তসকলে ওচৰতে থকা শিৱ মন্দিৰ, মা মনসা মন্দিৰ আদি বিভিন্ন দেবালয় পৰিদৰ্শন কৰি পূজা-অৰ্চনা কৰে। নৱবৰ্ষ উপলক্ষে আজি ভক্তসকলে মা মহামায়া মন্দিৰত দিনৰ ভাগৰ পূজাৰ অন্তত প্ৰসাদ গ্ৰহণ কৰে। আনহাতে, মা মহামায়া মন্দিৰৰ কাষতে থকা ঐতিহাসিক স্নান ঘাট মন্দিৰত ভাস্কৰ্য শিল্পৰ নৈসৰ্গিক পৰিৱেশ উপভোগ কৰাৰ বাবে বিভিন্ন ঠাইৰ পৰা অহা ভক্তসকলে ভিৰ কৰা পৰিলক্ষিত হয়। ইপিনে, স্নানঘাট মন্দিৰৰ কাষতে থকা টিপকাই নৈৰ পাৰত বিভিন্ন ঠাইৰ পৰা অহা বনভোজৰ দলে ভিৰ কৰে। বিশ্বৰ অদ্বিতীয় উচ্চতাৰ বগৰীবাৰীৰ ২৫ হাত(৩৭ফুট উচ্চতাৰ) কালী মন্দিৰ আৰু ছাতাগুৰী কালি মন্দিৰ বাকৰিত আজি যথেষ্ট ভক্তৰ সমাগম ঘটে।

# অসম গ্ৰন্থমেলাত উন্মোচন 'বৌদ্ধিক আমলখি'

**ই-সংবাদ, ডুমডুমা, ১ জানুৱাৰীঃ** যোৱা ২৭ ডিচেম্বৰৰ পৰা খানাপাৰাৰ পশু চিকিৎসা মহাবিদ্যালয় খেলপথাৰত অনুষ্ঠিত হৈ থকা অসম গ্ৰন্থমেলাত যোৱা ৩০ ডিচেম্বৰৰ সন্ধিয়া চাহ নগৰী ডুমডুমাৰ যুৱ প্ৰতিভাৱান কবি বিকিয়ান বাইলুঙৰ প্ৰথম কাব্যগ্ৰন্থ 'বৌদ্ধিক আমলখি' উন্মোচন কৰা হয়। কাব্যগ্ৰন্থখন উন্মোচন কৰে অসমৰ জনপ্ৰিয় কবি নীলিম কুমাৰে। গ্ৰন্থখন উন্মোচন কৰি বিশিষ্ট কবিগৰাকীয়ে কয় যে কবিতা এতিয়া বচোৱাৰ সময় আহি পৰিছে, কবিতাৰ কচৰৎ কৰি মানুহৰ বাবে কবিতা লিখিব লাগিব। 'বৌদ্ধিক আমলখি'- এই নামটোৰ দৰে আন কিতাপ দেখা নাই। নামটোৰ দৰে গ্ৰন্থখনে মানুহক আমলখিৰ ভিটামিন দিব। অনুষ্ঠানত বিশিষ্ট লেখক তথা সাহিত্যিক ইছমাইল হুছেইন, কবি কুকিল শইকীয়া, বিশিষ্ট কেৰিয়াৰ পৰামৰ্শদাতা ডঃ বুলজিৎ বুঢ়াগোহাঁইৰ লগতে আন কেইবাগৰাকীও কবি-লেখক উপস্থিত থাকে। উল্লেখ্য যে, ১৯৯৬ চনৰ ৯ আগষ্টত জন্মগ্ৰহণ কৰা বিকিয়ান বাইলুঙে ডুমডুমা মহাবিদ্যালয়ৰ পৰা ৰসায়ন বিজ্ঞানৰ স্নাতক ডিগ্ৰী লাভ কৰি সম্প্ৰতি ইন্দিৰা গান্ধী ৰাষ্ট্ৰীয় মুক্ত বিশ্ববিদ্যালয় (IGNOU)ৰ অধীনত ৰসায়ন বিজ্ঞানৰ স্নাতকোত্তৰ মহলাৰ পাঠ্যক্ৰম গ্ৰহণ কৰি থকাৰ সমান্তৰালকৈ শিক্ষকতাৰ সৈতেও জড়িত হৈ আছে। লেখক হিচাপেও সুপৰিচিত বিকিয়ান বাইলুঙৰ প্ৰবন্ধ, কবিতা অসমৰ বিভিন্ন কাকত-আলোচনীত প্ৰকাশ পাইছে। নিয়মীয়াকৈ সাহিত্য চৰ্চা কৰি অহা লেখক-কবি বিকিয়ান বাইলুঙৰ প্ৰথম কাব্য সংকলন 'বৌদ্ধিক আমলখি' শীৰ্ষক গ্ৰন্থখনিত কবিগৰাকীৰ ৪৪ টা কবিতা সন্নিবিষ্ট হৈছে।

### গুৰুজনাৰ জন্মস্থানখনিৰ সৰ্বাংগীণ উন্নয়নৰ বাবে সহযোগিতাৰ কামনা

# নৱবৰ্ষৰ প্ৰথম দিনটোত উদুলি-মুদুলি বটদ্ৰৱা, আকাশীগংগাতো ভিৰ



**ই-সংবাদ, বেৰেজীয়া, ১ জানুৱাৰীঃ** অসমীয়া জাতিৰ প্ৰাণ প্ৰতিষ্ঠাতা মহাপুৰুষ শংকৰদেৱৰ পৱিত্ৰ জন্মস্থান শ্ৰীশ্ৰী বটদ্ৰৱা থান ইংৰাজী নৱবৰ্ষৰ পহিলা দিনটোত উদুলি-মুদুলি হৈ পৰে। পুৱাৰে পৰা ৰাজ্যখনৰ ভিন্ন প্ৰান্তৰ পৰা গুৰুজনাৰ ওপজা ভূমিলৈ আগমন ঘটে কেইবা সহস্ৰাধিক ভক্তপ্ৰাণ লোক। সকলোৱে জাতীয় সাজপাৰ পৰিধান কৰি আগন্তুক নৱবৰ্ষটো সুখ-শান্তি-সমৃদ্ধি কামনাৰে সকলোৱে গুৰুজনাৰ শ্ৰীচৰণত এগচি বন্তি, শৰাই-নৈবেদ্য আগবঢ়াই সেৱা জনায়। দুপৰীয়া বিশেষ নাম-কীৰ্তনত ঐতিহ্যমণ্ডিত কীৰ্তনঘৰৰ ভিতৰে বাহিৰে অগণন লোকক নাম-প্ৰসংগত ভাগ লৈ হৰিনাম-কীৰ্তনত মগ্ন হোৱা পৰিলক্ষিত হয়। তদুপৰি, দৰ্শনাৰ্থীসকলে গুৰুজনাৰ প্ৰাচীন কীৰ্তিচিহ্নসমূহ নয়ন ভৰি উপভোগ কৰি পৰম তৃপ্তি লাভ কৰে। ইপিনে, পূৰ্বৰ দৰে বহু সংখ্যক লোকে পৱিত্ৰ আকাশীগংগাৰ তীৰত নৱবৰ্ষৰ পহিলা দিনটোত এসাঁজ লগে ভাগে খোৱাৰ উদ্দেশ্যৰে সমবেত হয়। বেছিভাগেই আকাশীগংগাৰ চৌদিশে ৰন্ধা-বঢ়া কৰি আনন্দ-স্ফূৰ্তিৰে ভোজভাত খোৱাৰ বিপৰীতে একাংশই ঘৰৰে পৰা খাদ্য সামগ্ৰী লগত লৈ আনি সেই ঠাইতে লগে ভাগে আনন্দৰে খোৱা পৰিৱেশ অতি দৃষ্টিনন্দন আছিল। ইয়াৰ মাজতে বহুতকে আকৌ নয়নাভিৰাম প্ৰকৃতিৰ কোলাত ছেলফি লোৱাত ব্যস্ত হোৱা দেখা যায়। নৱবৰ্ষৰ প্ৰথম দিনটোত বটদ্ৰৱা থানলৈ আগমন ঘটা যাত্ৰীসকলক আদৰণি জনাই সমগ্ৰ অসমবাসীলৈ বছৰটো শুভ আৰু মংগলময় হোৱাৰ কামনাৰে শুভেচ্ছা তথা শুভকামনা জ্ঞাপন কৰিছে শ্ৰীশ্ৰী বটদ্ৰৱা থান পৰিচালনা সমিতিয়ে। আগন্তুক বৰ্ষটোত বটদ্ৰৱা থান দৰ্শনৰ বাবে অহা যাত্ৰীসকলৰ বাবে সকলো প্ৰকাৰৰ সা-সুবিধা প্ৰদান কৰাৰ লগতে গুৰুজনাৰ জন্মস্থানখনিৰ সৰ্বাংগীণ উন্নয়ন তৰান্বিত কৰিবলৈ সকলোৰে সহায়-সহযোগিতা তথা পৰামৰ্শ কামনা কৰিছে থান পৰিচালনা সমিতিয়ে।

# যোৰহাটৰ কল্যাণী বাল্য ভৱনৰ ৰূপালী জয়ন্তী বৰ্ষৰ শুভাৰম্ভ

**ই-সংবাদ, বাহনা, ১ জানুৱাৰীঃ** আজি ইংৰাজী নৱবৰ্ষৰ প্ৰথম দিনটোতেই যোৰহাটৰ ৰাজহুৱা খণ্ডৰ অন্যতম বিদ্যালয় কল্যাণী বাল্য ভৱন ছিনিয়ৰ ছেকেণ্ডেৰী স্কুলৰ ৰূপালী জয়ন্তী বৰ্ষৰ কাৰ্যসূচী শুভাৰম্ভ হয়। ঢোল, পেঁপা, গগনা মাতে অধিক জীপাল কৰি তোলে কল্যাণী ৰংগমঞ্চ। পুৱা প্ৰথমখন পাতাকা উত্তোলন কৰে জ্যেষ্ঠ, ধৰ্মপ্ৰাণ ব্যক্তি প্ৰমোদ শইকীয়াই। ২৫ সংখ্যক প্ৰতিষ্ঠা দিৱসৰ বিভিন্নজনে মুঠ ২৫ খন পতাকা উত্তোলন কৰাৰ পাছতে স্মৃতি চাৰণ অনুষ্ঠান সম্পন্ন হয়। ইয়াৰ পিছতে যোৰহাট বন বিভাগ, প্ৰকৃতিপ্ৰেমী অনুষ্ঠান সেৱা আৰু অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ উত্তৰ-পূব যোৰহাট আঞ্চলিকৰ সহযোগত প্ৰতিষ্ঠা দিৱস উপলক্ষে অঞ্চলটোত গছপুলি ৰোপণ কৰা হয় আৰু এই কাৰ্যত উত্তৰ যোৰহাট জ্যেষ্ঠ নাগৰিক মঞ্চৰ সভাপতি বৈকুণ্ঠ মহন্ত, অভিনেত্ৰী গীতাৱলী ৰাজকুমাৰী, সেৱাৰ সভাপতি হেমেন কুমাৰ শইকীয়া, অসম জাতীয়তাবাদী যুৱ -ছাত্ৰ পৰিষদৰ যোৰহাট জিলা সমিতিৰ প্ৰাক্তন সভাপতি প্ৰণৱ শইকীয়া আৰু আঞ্চলিকৰ নেতা-কৰ্মীয়ে অংশগ্ৰহণ কৰে। ৰূপালী জয়ন্তী বৰ্ষ উদযাপন সমিতিৰ সভাপতি তথা প্ৰাক্তন শিক্ষক নুৰুজ জামানৰ সভাপতিত্বত ১১.৩০বজাৰ পৰা অনুষ্ঠিত মুকলি সভা অনুষ্ঠিত হয়। ইয়াৰ পূৰ্বে ৰূপালী জয়ন্তী বৰ্ষ শুভাৰম্ভৰ বক্তৃতা প্ৰদান কৰে অভিনেত্ৰী গীতাৱলী ৰাজকুমাৰীয়ে। তেওঁ অনুষ্ঠানত এটা কেক কাটে। ইয়াৰ পাছতে বিশিষ্ট শিক্ষাবিদ তথা অসম সাহিত্য সভা, যোৰহাট জিলাৰ প্ৰাক্তন সভাপতি ডঃ চেনিৰাম দত্তই অনুষ্ঠানৰ শুভাৰম্ভ কৰে। এই অনুষ্ঠানত ডাঃ বলিন খাৰঘৰীয়া, অজয় কৃষ্ণ দত্ত, নীলাঞ্জনা পাচনী, হিমাৰাণী কলিতা শইকীয়া, জয় প্ৰকাশ ওজা, প্ৰণৱ শইকীয়া, হেমেন কুমাৰ শইকীয়াই ছাত্ৰ-ছাত্ৰী আৰু অভিভাৱকৰ



দায়িত্ব, শিক্ষা গ্ৰহণ আদিৰ বিষয়ে সাৰুৱা ভাষণ প্ৰদান কৰে। এই অনুষ্ঠানতে দ্বাদশ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলক বিদ্যালয় তৰফৰ পৰা বিদায় সম্ভাষণ জনোৱা হয়। বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে বাৰেৰহনীয়া সাংস্কৃতিক গীত-মাত পৰিৱেশন কৰে। অনুষ্ঠানত শিক্ষাৰ্থী, শিক্ষক, অভিভাৱক তথা ৰাইজ থাকে। এই অনুষ্ঠানতে আজি নতুন বছৰৰ প্ৰথম দিনটোতে ৫ শতাধিক লোকে আনন্দৰে প্ৰীতিৰে এসাঁজ ভাত খোৱাৰো ব্যৱস্থা কৰে।

# ৰঙিয়াৰ পি এম শ্ৰী তুলসীবাৰী বহুমুখী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰতিষ্ঠা দিৱস

**ই-সংবাদ, ৰঙিয়া, ১ জানুৱাৰীঃ** ৰঙিয়াৰ পি এম শ্ৰী তুলসীবাৰী বহুমুখী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ৫৭ সংখ্যক প্ৰতিষ্ঠা দিৱস আজি পালন কৰা হয়। এই উপলক্ষে পুৱাৰ ভাগত বিদ্যালয়ৰ পতাকা উত্তোলন কৰে প্ৰাক্তন ছাত্ৰ ৰবীন বিশ্বাসে। ইয়াৰ পিছতে বিদ্যালয়ৰ মুখ্য প্ৰতিষ্ঠাপক ৰাজেন্দ্ৰ ডেকাৰ প্ৰতিমূৰ্তিত মাল্যাৰ্পণ, বন্তি প্ৰজ্বলনৰে শ্ৰদ্ধাঞ্জলি নিবেদন কৰাৰ লগতে অন্যতম প্ৰতিষ্ঠাপক সহযোগী প্ৰয়াত হৰেন্দ্ৰ ৰাজবংশী, হৰেন্দ্ৰ কুমাৰ ভূঞা, অধ্যক্ষ উমেশ কলিতা, উমেশ ভূঞা প্ৰমুখ্যে প্ৰয়াত শিক্ষক-শিক্ষয়িত্ৰী তথা পৰিচালনা সমিতিৰ বিষয়ববীয়াসকলৰ স্মৃতি তৰ্পণ কৰা হয়। কাৰ্যসূচীৰ অংশ হিচাপে বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি লিটন কলিতাৰ সভাপতিত্বত অনুষ্ঠিত মুকলি সভাত বিশিষ্ট অতিথিৰূপে উপস্থিত থাকে আৰিমত্ত বিদ্যাপীঠ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ কামিনী ভূঞা। ভাৰপ্ৰাপ্ত অধ্যক্ষা গীতাৰাণী ডেকাই আঁত ধৰা সভাত শিক্ষক দিলীপ কুমাৰ লহকৰৰ তত্বাৱধানত প্ৰকাশিত বাৰ্ষিক মুখপত্ৰ আশাৰ প্ৰদীপ উন্মোচন কৰা হয়। অনুষ্ঠানত অৱসৰপ্ৰাপ্ত শিক্ষক যোগেশ লহকৰ, অচ্যুত কেওটো উপস্থিত থাকি ভাষণ দাঙি ধৰে।

# লাহৰীঘাটত চোৰাং কাঠ ভৰ্তি ট্ৰাক জব্দ

**ই-সংবাদ, লাহৰীঘাট, ১ জানুৱাৰীঃ** মৰিগাঁও জিলাৰ লাহৰীঘাটত আজি আৰক্ষীয়ে বৃহৎ পৰিমাণৰ চোৰাং কাঠ ভৰ্তি ট্ৰাক এখন জব্দ কৰে। লাহৰীঘাট আৰক্ষী থানাৰ অন্তৰ্গত বগলীপৰা চৰিআলিৰ পৰা আৰক্ষীয়ে জব্দ কৰে লক্ষাধিক টকাৰ কাঠ ভৰ্তি ট্ৰকখন। আৰক্ষীয়ে জব্দ কৰা ট্ৰাকখনৰ নম্বৰ হৈছে এ এছ-২৫ এফ চি-২১৭৩। জব্দ কৰা কাঠৰ কোনো বৈধ নথিপত্ৰ নাই চালকজনৰ হাতত। ট্ৰাক চালকজনক আটক কৰাৰ লগতে চোৰাং কাঠৰ গৰাকীৰ সন্ধানত জেৰা অব্যাহত ৰাখিছে লাহৰীঘাট আৰক্ষীয়ে।

# মেলামৰাৰ শংকৰদেৱ শিঃ নিকেতনৰ ৰূপালী জয়ন্তী উদযাপনৰ প্ৰস্তুতি তুংগত

**ই-সংবাদ, খুমটাই, ১ জানুৱাৰীঃ** মেলামৰাৰ শংকৰদেৱ শিশু নিকেতনৰ ২৫ বছৰীয়া ৰূপালী জয়ন্তী ৬ আৰু ৭ জানুৱাৰীত উদযাপন কৰিবলৈ লোৱা হৈছে। বিদ্যালয় পৰিচালনা সমিতি, শিক্ষক-শিক্ষয়ত্ৰী, অভিভাৱক আৰু প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ সক্ৰিয় সহযোগিতাৰে এই বিশেষ অনুষ্ঠানৰ আয়োজন কৰা হৈছে। অনুষ্ঠানটোত সমগ্ৰ অঞ্চলবাসীৰ লগতে সকলো শুভাকাংক্ষীক অংশগ্ৰহণৰ বাবে আহ্বান জনাইছে।এই দুদিনীয়া কাৰ্যসূচীৰ প্ৰথম দিনটোত পুৱা পতাকা উত্তোলনৰ সৈতে আৰম্ভ হ'ব। ইয়াৰ পিছত বিদ্যালয়ৰ শিক্ষাৰ্থীসকলে বিভিন্ন সাংস্কৃতিক কাৰ্যসূচীৰ আয়োজন কৰা হ'ব- যি বিদ্যালয়ৰ শিক্ষা আৰু সংস্কৃতিৰ পৰম্পৰাক প্ৰতিফলিত কৰিব। ৭ জানুৱাৰীত গছপুলি ৰোপণ, শোভাযাত্ৰাৰ পিছত মুকলি সভা অনুষ্ঠিত হ'ব। মুকলি সভাত বিশিষ্ট ব্যক্তি তথা বিদ্যালয়ৰ পূৰ্বৰ শিক্ষাৰ্থীসকলৰ অংশগ্ৰহণে অনুষ্ঠানটো বিশেষত্ব প্ৰদান কৰিব। তাৰ লগতে দিনটোৰ অন্তত বৈষ্ণৱ নাট 'ৰাম পৰাজয়' মঞ্চস্থ কৰা হ'ব। আয়োজক সমিতিয়ে সকলো শুভাকাংক্ষীক এই অনুষ্ঠানত অংশগ্ৰহণ কৰি এই বিশেষ মুহূৰ্তবোৰৰ সাক্ষী হোৱাৰ বাবে আহ্বান জনাইছে।

# কদমতলত গ্ৰীন আৰ্মীৰ বস্ত্ৰদান কাৰ্যসূচী

**ই-সংবাদ, বৰমা, ১ জানুৱাৰীঃ** শীতৰ প্ৰকোপ বৃদ্ধিৰ লগে লগে ভিন্ন স্থানত একাংশ লোকে জাৰত কঁপি থকা পৰিলক্ষিত হয়। সেই লোকসকলক সামান্য সকাহ দিয়াৰ উদ্দেশ্যে ওলাই আহিছে স্বেচ্ছাসেৱী সংস্থা 'গ্ৰীন আৰ্মী, অসম'। ২০২১ চনৰ ২৫ ফেব্ৰুৱাৰীত বাক্সা জিলাত জন্মগ্ৰহণ কৰা এই সংস্থাটোৱে আজি নলবাৰী জিলাৰ কদমতলত বস্ত্ৰদান কাৰ্যসূচী ৰূপায়ণ কৰে। অৰ্ধ শতাধিক পুৰুষ, মহিলা আৰু শিশুৰ মাজত বস্ত্ৰ বিতৰণ কৰি গ্ৰীন আৰ্মীৰ সভাপতি কনক কুমাৰ কলিতাই কয় যে আমাৰ উদ্দেশ্য প্ৰচাৰ নহয়। কিন্তু আমি বিচাৰো আমাক দেখি যাতে আনেও আগবাঢ়ি আহি অসহায় লোকৰ ওচৰত সহায়ৰ হাত হৈ থিয় দিয়ে। বহু লোক থাকে যিয়ে সময়ৰ অভাৱত এনে কাৰ্যপন্থা হাতত ল'ব নোৱাৰে। তেনে হৃদয়ৱানৰ পৰা বস্ত্ৰ সংগ্ৰহ কৰি অভাৱত থকা লোকৰ হাতত তুলি দিবলৈ আমি মাধ্যম স্বৰূপেহে কাম কৰোঁ। লগতে সংস্থাটোৰ সম্পাদক জিন্টুমণি দাসে সুন্দৰ আৰু সেউজীয়া পৃথিৱীখনৰ স্বাৰ্থতেই আমাৰ জন্ম বুলি উল্লেখ কৰি বিগত সময়তো জাৰৰ দিনত বিভিন্ন স্থানত বস্ত্ৰদান কাৰ্যসূচী ৰূপায়ণ কৰা বুলি জানিবলৈ



দিয়ে। আজিৰ কাৰ্যসূচীত গ্ৰীন আৰ্মী, অসমৰ সভাপতি কনক কলিতা, উপদেষ্টা হিৰণ্য কলিতা, কাৰ্যকৰী সভাপতি প্ৰাঞ্জল শৰ্মা, উপ-সভাপতি ড০ চন্দনা দেৱী, সম্পাদক জিন্টুমণি দাস, সহঃ সম্পাদকদ্বয় ক্ৰমে দৰ্শনা দত্ত আৰু নমিতা ৰয়, বিত্ত সম্পাদক চুনু চৌধুৰী আৰু বনজিৎ দাসে অংশগ্ৰহণ কৰে।

# কমলা ৰাজকোঁৱৰলৈ ৰঁমজান খাঁ হিলৈধাৰী বৰুৱা স্মৃতি বটাঁ গৰীয়া জাতীয় পৰিষদৰ

**ই-সংবাদ, গেলেকী, ১ জানুৱাৰীঃ** স্বৰ্গদেউ জয়ধ্বজ সিংহৰ দিনত গাঁও আৰু চুবুৰী পতাত নীতিত মোমাই তামুলী বৰবৰুৱাদেৱে জনগোষ্ঠীয় পৰিচয়ক প্ৰাধান্য দিছিল। তাত গৰীয়াৰহে স্থান আছিল। অসমীয়া মুছলমান কৃত্ৰিম বাক্য। পমুৱাৰ লগত গৰীয়াক একাকাৰ কৰা গভীৰ ষড়যন্ত্ৰ। আমি গৰীয়া আৰু গৰীয়া নামেৰে গৰ্বিত।- এই মন্তব্য সদৌ অসম গৰীয়া জাতীয় পৰিষদৰ ৰাজ্যিক সভাপতি মইনুল ইছলামৰ। ঐতিহাসিক শিৱসাগৰ জিলাৰ বৰপুখুৰীৰ পাৰত অৱস্থিত যুৱদলত সদৌ অসম গৰীয়া জাতীয় পৰিষদৰ ৰাজ্যিক বৰ্ধিত কাৰ্যনিৰ্বাহকখন অনুষ্ঠিত হয়। এই সভাত ২২ খন জিলাৰ প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰে আৰু এই বৰ্ধিত কাৰ্যনিৰ্বাহক সভাখনত সভাপতিত্ব কৰি সদৌ অসম গৰীয়া জাতীয় পৰিষদৰ ৰাজ্যিক সভাপতি মইনুল ইছলামে অসমত সিঁচৰতি গৰীয়াসকলৰ ইতিহাস আৰু সম্প্ৰতি বঞ্চিত হৈ থকা অধিকাৰৰ দাবীত গৰীয়াসকলৰ একত্ৰিকৰণ বাবে ভাষণ প্ৰসংগত এইদৰে মন্তব্য কৰে। সভাখনৰ আৰম্ভণিতে গৰীয়া জাতীয় পৰষদৰ প্ৰসংগ সংগীত পৰিৱেশন কৰে আচাবুদ্দিন বৰবৰুৱাৰ নেতৃত্বত শিৱসাগৰ আৰোগ্য নাৰ্ছিং প্ৰশিক্ষণ কেন্দ্ৰৰ প্ৰশিক্ষাৰ্থীসকলে। সভাখনৰ আয়োজক শিৱসাগৰ জিলা সমিতিয়ে ৰাজ্যিক সমিতিৰ সদস্যসকলক সম্বৰ্ধনা জ্ঞাপন কৰাৰ উপৰি বিভিন্ন জিলাৰ পৰা অংশ গ্ৰহণৰ বাবে অহা প্ৰতিগৰাকী সদস্যক একোটা টুপুলা তামোলেৰে আদৰণি জনায়। অনুষ্ঠানটোত 'সময়ৰ কৰণিত গৰীয়াৰ গৌৰৱ' শীৰ্ষক এক কেনভাছ প্ৰদৰ্শনৰ জৰিয়তে শিৱসাগৰীয়া গৰীয়া জনগোষ্ঠীৰ বহু ৰীতি-নীতি সংস্কৃতিৰ সম্ভাৰ উদ্ভাসিত কৰা হয়। অসমৰ ২২ খন জিলাৰ প্ৰতিনিধিৰ সাংগঠনিক প্ৰতিবেদন পাঠ কৰাৰ পাছতেই অসমৰ বিশিষ্ট জাতীয়তাবাদী নেতা তথা আহোম ৰয়েল ছ'চাইটিৰ সভাপতি লাকুৱাৰ কমলা ৰাজকোঁৱৰক আহোম ৰাজত্বকালৰ বীৰযোদ্ধা ৰঁমজান খাঁ হিলৈধাৰী বৰুৱা স্মৃতি বটাঁ প্ৰদান কৰা হয়। বঁটা গ্ৰহণ কৰি কমলা ৰাজকোঁৱৰে ভাষণ প্ৰসংগত কৌটিকলিয়া আহোম আৰু গৰীয়াৰ গৌৰৱ ৰঁমজান খাঁৰ বীৰত্বক সুঁৱৰি প্ৰাচীন গৰীয়া জনগোষ্ঠীটোৰ স'তে আহোমৰ ইতিহাস অসমৰ সমাজ জীৱনত গৰীয়াসকলৰ অৱদান আৰু পৰম্পৰাৰ বিষয়ে নিজ ভাষণত উল্লেখ কৰে। জনপ্ৰিয় জিকিৰ শিল্পী শিৱসাগৰৰ ৰিম্পী তামুলী আৰু নাজিৰাৰ চৈয়দা নবিহা ৰহমানৰ জিকিৰ আৰু আচাবুদ্দিন বৰবৰুৱাৰ কবিতা পাঠে জীপাল কৰা অনুষ্ঠানটোৰ অন্তত ৰাজ্যিক বৰ্ধিত কাৰ্যনিৰ্বাহক সভাত গৰীয়াসকলৰ জনগণনা, অনান্য পিছপৰা শ্ৰেণীৰ অন্তৰ্ভুক্ত কৰা দাবীৰ সন্দৰ্ভত চৰকাৰে আৰম্ভ কৰা শুনানি, উচ্চ শিক্ষানুষ্ঠান, প্ৰতিষ্ঠানত গৰীয়া ছাত্ৰ-ছাত্ৰীৰ বাবে আসন সংৰক্ষণৰ বিশদ আলোচনাৰ জৰিয়তে সিদ্ধান্ত গ্ৰহণ কৰি জাতীয় সংগীতেৰে সভাৰ সামৰণি মৰা হয়।

## বিশিষ্ট বাঁহীবাদক দীপক শৰ্মালৈ আৰ্থিক সাহায্য, বিশেষ সাংস্কৃতিক অনুষ্ঠান

# পুৰণিগুদাম শংকৰদেৱ বিদ্যা নিকেতনৰ ত্ৰিশতম প্ৰতিষ্ঠা দিৱস উদযাপন

**ই-সংবাদ, পুৰণিগুদাম, ১ জানুৱাৰীঃ** নগাঁও জিলাৰ পুৰণিগুদামৰ আগশাৰীৰ শিক্ষানুষ্ঠান পুৰণিগুদাম শংকৰদেৱ বিদ্যানিকেতনৰ ত্ৰিশতম প্ৰতিষ্ঠা দিৱসটি আজি দিনজোৰা কাৰ্যসূচীৰে বিদ্যালয়ৰ প্ৰাংগণত অনুষ্ঠিত হয়। ১৯৯৬ চনৰ ১ জানুৱাৰীত প্ৰতিষ্ঠা লাভ কৰা বিদ্যালয়খনে প্ৰতিষ্ঠাৰ দিন ধৰি শৈক্ষিক দিশৰ লগতে সাংস্কৃতিক, ক্ৰীড়া আদিৰ দিশত বিশেষ সফলতা লাভ কৰি আহিছে। আজি ২০২৫ বৰ্ষৰ জানুৱাৰী মাহৰ পহিলা দিনটোত বিদ্যালয় প্ৰাংগণত এক উৎসৱমুখৰ পৰিৱেশে বিৰাজ কৰে। ছাত্ৰ-ছাত্ৰীসকলে গীত, নৃত্য, কবিতা আবৃত্তি, ভাওনাৰ সংলাপেৰে নিজৰ প্ৰতিভা প্ৰদৰ্শন কৰে। পুৱাৰে পৰা উৎসৱমুখৰ পৰিৱেশৰ মাজেৰে ৰূপায়ণ হোৱা প্ৰতিষ্ঠা দিৱসৰ পুৱা পতাকা উত্তোলন কৰে বিদ্যালয়ৰ জ্যেষ্ঠ শিক্ষক প্ৰদীপ বৰাই। ইয়াৰ পিছতে পুৱা ১০ বজাৰ পৰা অনুষ্ঠিত হোৱা প্ৰতিষ্ঠা দিৱসৰ সভাত সভাপতিত্ব কৰে প্ৰাক্তন শিক্ষয়িত্ৰী দিপ্তী শইকীয়া বৈৰাগীয়ে। বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি পূৰ্ণানন্দ ভূঞাই উদ্দেশ্য আৰু বাখ্যা কৰা সভাত বিশিষ্ট অতিথি হিছাপে উপস্থিত থাকে গুৱাহাটী বিশ্ববিদ্যালয়ৰ গৱেষক ছাত্ৰ ত্ৰিদিপ ভাগৱতী। সভাত শিশু শিক্ষা সমিতিৰ বিভাগ নিৰীক্ষক পৰাণ বৰা উপস্থিত থকাৰ উপৰি ডাঃ নন্দন সাহা উপস্থিত থাকে।

পুৰণিগুদামৰ বিশিষ্ট সমাজকৰ্মী তথা অৱসৰপ্ৰাপ্ত শিক্ষক যুগল চন্দ্ৰ দেৱগোস্বামীয়ে বন্তি প্ৰজ্বলেনেৰে শুভাৰম্ভ কৰা সভাৰ পিছতে আৰম্ভ হয় সাংস্কৃতিক অনুষ্ঠান। বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে বিভিন্ন সাংস্কৃতিক অনুষ্ঠান ৰূপায়ণ কৰাৰ পিছতে বিয়লিৰ ভাগলৈ কণ্ঠশিল্পী অলংকৃতা আৰু ৰূপাংকৃতাই গীত পৰিৱেশন কৰি সকলোকে আপ্লুত কৰে। আজিৰ প্ৰতিষ্ঠা দিৱসৰ দিনটোত অসমৰ শিল্পী বিশিষ্ট বাঁহী বাদক দীপক শৰ্মাৰ আশু আৰোগ্যৰ বাবে প্ৰাৰ্থনা জনোৱা হয়। লগতে ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক-শিক্ষয়িত্ৰীসকলে আগবঢ়োৱা আৰ্থিক সাহায্য প্ৰদানৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়।

# লাহৰীঘাটৰ কস্তুৰবা গান্ধী বালিকা বিদ্যালয়ত মুখপত্ৰ ‘পোহৰ’ উন্মোচন জিলা আয়ুক্ত দেৱাশীষ শৰ্মাৰ

**ই-সংবাদ, লাহৰীঘাট, ১ জানুৱাৰীঃ** মৰিগাঁও জিলাৰ লাহৰীঘাটৰ কস্তুৰবা গান্ধী বালিকা বিদ্যালয়ৰ মুখপত্ৰ ‘পোহৰ’ উন্মোচন কৰা হয়। মুখপত্ৰখন উন্মোচন কৰে মৰিগাঁও জিলাৰ আয়ুক্ত দেৱাশীষ শৰ্মাই। দেশৰ দুখীয়া দৰিদ্ৰ আৰু পিছপৰা শ্ৰেণীৰ অশিক্ষিত কন্যা সন্তানৰ শিক্ষা বৃদ্ধি কৰাৰ লক্ষ্যৰে ২০০৪ চনত ভাৰত চৰকাৰে কস্তুৰবা গান্ধী বালিকা বিদ্যালয় আঁচনৰ শুভাৰম্ভ কৰিছিল। অসমত ২০০৭ চনৰ পৰা এই আঁচনিৰ কাম আৰম্ভ হয়। অসমৰে মৰিগাঁও জিলাৰ ব্ৰহ্মপুত্ৰ নদীৰ গাতে লাগি থকা লাহৰীঘাট অঞ্চলৰ তিনিচুকীয়া গাৱঁতে নিৰ্মাণ হৈছিল এখন কস্তুৰবা গান্ধী বালিকা বিদ্যালয়। এই বিদ্যালয়খনে আজি বছৰটোৰ প্ৰথম দিনটোতেই ‘পোহৰ’ নামৰ এখনি বাৰ্ষিক আলোচনী প্ৰকাশ কৰি উলিয়ায়। সমান্তৰালভাৱে বিদ্যালয়খনৰ বাৰ্ষিক খেল-ধেমালিৰ আনুষ্ঠানিকভাৱে বঁটা প্ৰদান কৰা হয়। আৱাসিক নাৰী শিক্ষানুষ্ঠানখনে আজি প্ৰকাশ কৰি উলিওৱা আলোচনীখনে নাৰী শিক্ষা আৰু বিকাশৰ প্ৰতিটো ক্ষেত্ৰত এক সুন্দৰ বিশ্লেষণ কৰিবলৈ সক্ষম হৈছে। আজিৰ ছোৱালী জনীয়েই কাইলৈ হৈ উঠিব এগৰাকী নাৰী। নাৰী হৈছে সমাজৰ অগ্ৰগতিৰ এক চালিকা শক্তি। নাৰী শিক্ষাক ব্যাপকভাৱে আগবঢ়াই নিবলৈ বিদ্যালয়খনৰ শিক্ষয়িত্ৰীসকলে অতি নিষ্ঠাৰে কাম কৰি আহিছে। এক সুন্দৰ পৰিৱেশত চলি

অহা বিদ্যালয়খনৰ শিক্ষয়িত্ৰীসকলে কৰি অহা পৰিশ্ৰমৰ ফলাফলৰ ক্ষেত্ৰতো যথেষ্ট সাফল্য লাভ কৰিছে। উল্লেখ্য যে আজি বছৰটোৰ প্ৰথম দিনটোতেই অনুষ্ঠিত হোৱা এই অনুষ্ঠানত মৰিগাঁও জিলাৰ শিক্ষা আঁচনি বিষয়া ৰোহিনী কুমাৰ দত্ত, ৰাজ্যিক পুৰস্কাৰ প্ৰাপ্ত কৃতী অৱসৰপ্ৰাপ্ত শিক্ষক মনমোহন ৰাজবংশী, লাহৰীঘাট উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষকে ধৰি কেইবাজনো বিশিষ্ট ব্যক্তি উপস্থিত থাকে। জিলা আয়ুক্ত দেৱাশীষ শৰ্মাই আলোচনীখন উন্মোচন কৰি নাৰী শিক্ষাৰ ক্ষেত্ৰত যথেষ্ট তথ্য গধুৰ ভাষণ প্ৰদান কৰে। বিদ্যালয়খনৰ উন্নয়নৰ ক্ষেত্ৰত চৰকাৰে আগবঢ়োৱা বিভিন্ন ধৰণৰ সহযোগিতাৰ তেওঁ শলাগ লয়।

# নৱবৰ্ষত পুৰণিগুদাম মহামৃত্যুঞ্জয় মন্দিৰত ভক্তৰ ভিৰ

**ই-সংবাদ, পুৰণিগুদাম, ১ জানুৱাৰীঃ** নগাঁও জিলাৰ বঢ়মপুৰ সমষ্টিৰ অধীনৰ পুৰণিগুদাম ভেৰভেৰিস্থিত মহামৃত্যুঞ্জয় মন্দিৰত ইংৰাজী নৱবৰ্ষৰ পহিলা দিনটোত ভক্তৰ লানি নিচিগা সোঁত বয়। ইংৰাজী ২০২৫ বৰ্ষটো যাতে কুশল-মংগল হয় তাৰ কামনা কৰি পুৱাৰে পৰা অসমৰ বিভিন্ন প্ৰান্তৰ পৰা অহা হাজাৰ হাজাৰ ভক্তই মন্দিৰ প্ৰাংগণত শাৰী পতা দেখা যায়। আজি পুৱাৰে পৰা ভক্তপ্ৰাণ ৰাইজৰ লানি নিচিগা সোঁতে দ্বিতীয় বৈকুণ্ঠপুৰিত পৰিণত কৰে মন্দিৰটোৰ প্ৰাংগণ। উল্লেখ্য যে, বিশ্বৰ সৰ্ববৃহৎ ১২৬ ফুট উচ্চতাৰ মহামৃত্যুঞ্জয় মন্দিৰত বছৰৰ প্ৰত্যেক দিনাই ভক্তৰ ভিৰ হয় যদিও আজি বছৰৰ পহিলা দিনটোত আন দিনসমূহতকৈ সৰ্বাধিক ভিৰ হোৱা পৰিলক্ষিত হয়।ভক্তসকলে ধূপ, ধুনা, চাকি-বন্তি জ্বলাই, শৰাই আগবঢ়াই



নিজৰ নিজৰ মনোকামনা পুৰণৰ বাবে মহামৃত্যুঞ্জয় মন্দিৰত সেৱা জনায়। ইফালে, পুৰণিগুদামৰ সমীপৱৰ্তী চাপানালাৰ চম্পাৱতী জলপ্ৰপাতত আজি বছৰৰ প্ৰথম দিনটোত বনভোজ দলৰ ভিৰ দেখা যায়। বছৰৰ প্ৰথম দিনটোত মিলিজুলি এসাঁজ খাবলৈ চাপানালাৰ চম্পাৱতী জলপ্ৰপাতত বনভোজপ্ৰেমীৰ ভিৰ পৰিলক্ষিত হয়। লগতে লুংচুঙৰ হদহদী জলপ্ৰপাত, ননৈৰ বুঢ়া-বুঢ়ীৰ থান, গুফা মন্দিৰতো আজি পুৱাৰে পৰা ভক্তপ্ৰাণ লোকৰ ভিৰ দেখা যায়। নতুন বছৰটো সকলোৰে কুশল-মংগল হোৱাৰ কামনা কৰি ভক্তপ্ৰাণ ৰাইজে বুঢ়া-বুঢ়ীৰ থান আৰু গুফা মন্দিৰত ধূপ, চাকি-বন্তি জ্বলাই আৰু শৰাই আগবঢ়ায়।

# দৰঙৰ লক্ষীমপুৰ পুখুৰীত 'লখিমী বাণিজ্য মেলা'

**ই-সংবাদ, মঙলদৈ, ১ জানুৱাৰীঃ** দৰঙৰ ঐতিহাসিক লক্ষীমপুৰ পুখুৰীত তিনিদিনীয়া কাৰ্যসূচীৰে দ্বিতীয় বাৰৰ বাবে অনুষ্ঠিত হৈছে লখিমী বাণিজ্য মেলা। পৰ্যটনৰ ক্ষেত্ৰত অধিক সম্ভাৱনা আছে যদিও আজিলৈকে এই ক্ষেত্ৰত কোনো ধৰণৰ পদক্ষেপ গ্ৰহণৰ ব্যৱস্থা কৰা নাই চৰকাৰে। ইতিমধ্যে মীন মহল সমিতিয়ে চৰকাৰৰ ওচৰত পুখুৰীটোক পৰ্যটনৰ ক্ষেত্ৰলৈ ৰূপান্তৰ কৰাৰ বাবে আবেদন জনাই আহিছে যদিও কোনোধৰণৰ প্ৰদক্ষেপ গ্ৰহণ কৰা নাই। অৱশ্যে চৰকাৰৰ কেইবাজনো মীন মন্ত্ৰীকে ধৰি কেইবাজনো মন্ত্ৰী মাজে মাজে পুখুৰীটোত উপস্থিত হৈ পৰ্যটনৰ ক্ষেত্ৰ হিচাপে গঢ়াৰ প্ৰতিশ্ৰুতি দি গৈছে যদিও সেই প্ৰতিশ্ৰুতি প্ৰতিশ্ৰুতি হৈয়ে ৰৈছে। অঞ্চলটিত মীন পালনেৰে স্বাৱলম্বিতাৰ নিদৰ্শন দাঙি ধৰা লক্ষীমপুৰ আঞ্চলিক মীন মহল সমিতিয়ে যোৱাবেলিৰ পৰা নিজাববীয়াকৈ আৰম্ভ কৰিছে 'লখিমী বাণিজ্য মেলা'। অৱশ্যে এইবেলি অসম বাণিজ্যিক উন্নয়ন সংস্থা আৰু ভাৰতীয় পৰ্যটন মন্ত্ৰালয়ে মীন মহল সমিতিখনক সহযোগ কৰে। অৱশ্যে এনেধৰণেৰে যদি বছৰত দুবাৰমানকৈ বাণিজ্য মেলা অনুষ্ঠিত হয় তেনেহ'লে অঞ্চলটোৰ আত্মসহায়ক গোটসমূহ যথেষ্ট উপকৃত হ'ব। প্ৰায় ১২০ বিঘা মাটিকালিৰ পুখুৰীটোক চৰকাৰে পৰ্যটন ক্ষেত্ৰ হিচাপে গঢ়ি তুলিলে অঞ্চলটো উন্নয়নৰ দিশলৈ যথেষ্ঠ আগবাঢ়ি যাব। যদি পুখুৰীটোক কেন্দ্ৰ কৰি চৰকাৰে পৰ্যটনৰ ক্ষেত্ৰ হিচাপে গঢ়ি তোলাৰ ব্যৱস্থা কৰে তেনেহ'লে অঞ্চলটোৰ নিবনুৱা যুৱকসকল স্বাবলম্বিতাৰ দিশত যথেষ্ঠ উপকৃত হ'ব। দ্বিতীয় বাৰৰ বাবে তিনিদিনীয়াকৈ অনুষ্ঠিত বাণিজ্য মেলাখন আনুষ্ঠানিকভাৱে শুভ উদ্বোধন কৰে বিজেপিৰ ৰাজ্যিক কাৰ্যনিৰ্বাহক তথা অসম বাণিজ্য উন্নয়ন সংস্থাৰ উপাধ্যক্ষ মধুৰাম ডেকাই। বাণিজ্য মেলাখন উদ্বোধন কৰি মধৰাম ডেকাই তেওঁ যিহেতু অসম বাণিজ্য উন্নয়ন সংস্থাৰ উপাধ্যক্ষৰ দায়িত্বত আছে গতিকে অঞ্চলটোৰ আত্মসহায়ক গোট বা মহিলাসকল উপকৃত হ'ব পৰাকৈ ব্যৱস্থা কৰাৰ বাবে প্ৰদক্ষেপ হাতত লোৱাৰ কথা উল্লেখ কৰে। লগতে তেওঁ পুখুৰীটোক যাতে পৰ্যটনৰ ক্ষেত্ৰলৈ পৰ্যবোসিত কৰিব পাৰি তাৰ বাবে চৰকাৰৰ সৈতে যোগাযোগ কৰাৰো আশ্বাস প্ৰদান কৰে। মীনমহল সমিতিৰ সম্পাদক কুলেন্দ্ৰ কুশল শৰ্মাই আঁত ধৰা, মীন মহল সমিতিৰ প্ৰাক্তন সম্পাদক ব্ৰজেন শৰ্মাই সভাপতিত্ব কৰা আদৰণি সভা আৰু সাংস্কৃতিক অনুষ্ঠানৰ কাৰ্যসূচীটি শুভ উদ্বোধন কৰে জিলা মীন বিষয়া বিপুল খাটনিয়াৰে। অনুষ্ঠানটিত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে দৰং জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি চহিৰ ভূঞা, অসম সংস্কৃতি সংৰক্ষণ আৰু বিকাশ কেন্দ্ৰৰ সঞ্চালক গৌতম শৰ্মা, দৰং বিজেপিৰ উপ-সভাপতি মুকুন্দ ডেকা, দেওমৰনৈ স্বাস্থ্য কেন্দ্ৰৰ স্বাস্থ্য বিষয়া তথা বিশিষ্ট সাহিত্যিক ডাঃ কমলাকান্ত শৰ্মা, লক্ষীমপুৰ সমবায় সমিতি লিমিটেডৰ সভাপতি দানেশ্বৰ ডেকা, উন্নয়ন খণ্ডৰ অভিযন্তা দেৱকুমাৰ দাসকে ধৰি বহুকেইগৰাকী বিশিষ্ট ব্যক্তি। অনুষ্ঠানটোত অসম সংস্কৃতি সংৰক্ষণ আৰু বিকাশ কেন্দ্ৰৰ শিল্পীসকলে বিহু, মহহৌ, দেওধনী নৃত্য, নাঙেলী গীতৰ লগতে হেৰাই যাবলৈ ধৰা লোককৃষ্টিসমূহ প্ৰদৰ্শন কৰে।

# বাঘমাৰা চৰ গাঁও পঞ্চায়ত সমবায় সমিতি লিমিটেডৰ সঞ্চালক মণ্ডলী নিৰ্বাচনৰ ফলাফল ঘোষণা

**ই-সংবাদ, শিমলীতোলা, ১ জানুৱাৰীঃ** বাঘমাৰা চৰ গাঁও পঞ্চায়ত সমবায় সমিতি লিমিটেডৰ সঞ্চালক মণ্ডলীৰ নিৰ্বাচন প্ৰক্ৰিয়া যোৱা ২৯ ডিচেম্বৰত সম্পন্ন হোৱাৰ পিছত কটকটীয়া নিৰাপত্তা বেষ্টনীৰ মাজত কালি শান্তি পূৰ্ণভাৱে বাঘমাৰা চৰ গাঁও পঞ্চায়ত সমবায় সমিতিৰ কাৰ্যালয়ত ভোট গণনা আৰম্ভ হয়। আলোপতি চৰ আৰক্ষী থানাৰ পৰা নিৰ্বাচনী বিষয়া আনোৱাৰ হুছাইনৰ নেতৃত্বত আলোপতি চৰ আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া কুমাৰ স্বপন ভৌমিকৰ সহযোগত মহিলাৰ বাবে সংৰক্ষিত দুখন আসনৰ বাবে ৫ গৰাকী, ১২ টা সাধাৰণ আসনৰ বাবে ২০ গৰাকী, সৰ্বমুঠ ১৪ আসনৰ ২৫ গৰাকী প্ৰাৰ্থীৰ পৰা নিজৰ নিজৰ কাউনটিং এজেণ্ট লৈ কালি পুৱা ভোট গণনা আৰম্ভ কৰে। পুৱা ৮ বজাৰ পৰা আৰম্ভ হোৱা ভোট গণনা নিশা প্ৰায় ১০ বজাত সম্পূৰ্ণ হয়। গণনাৰ অন্তত সাধাৰণ শ্ৰেণীৰ প্ৰাৰ্থীসকলৰ ভিতৰত এম মুছুৰুদ্দিন আহমেদে ১৩৪২ টা ভোট লাভ কৰি সৰ্বাধিক ভোটত জয়যুক্ত হয়। ১২৭০ টা ভোট পাই দ্বিতীয় স্থানত শুকুৰ আলী, ১০৬৭ টা ভোট পাই তৃতীয় স্থানত ফয়নুদ্দিন, ১০০৩ টা ভোট পাই চতুৰ্থ স্থানত বাহেজ আলী, ৯৮১ টা ভোট পাই পঞ্চম স্থানত আনোৱাৰ হুছাইন, ৯৫৩ টা ভোট পাই ষষ্ঠ স্থানত আয়ুব আলী, ৯৫২ টা ভোট পাই সপ্তম স্থানত সৰবেশ আলী, ৯৪৯ টা ভোট পাই অষ্টম স্থানত হাফিজুৰ ইছলাম, ৯২১ টা ভোট পাই নৱম স্থানত আঃ বাৰেক, ৮৭৩ টা ভোট পাই দশম স্থানত ৰফিকুল ইছলাম, ৮২৮টা ভোট পাই একাদশ স্থানত আনোৱাৰ হুছাইন, ৭১৩ টা ভোট পাই দ্বাদশ স্থানত মুক্তাৰ হুছাইন জয়যুক্ত হয়। মহিলাৰ বাবে সংৰক্ষিত আসনত লতিফা আহমেদে ১২৮০ টা আৰু আফ্ৰুজা আহমেদে ১০০২ টা ভোট লাভ কৰি জয়যুক্ত হোৱাৰ লগতে অনুসূচিত জাতি-জনজাতিৰ সংৰক্ষিত প্ৰাৰ্থী মঞ্জো ৰবি দাস বিনা প্ৰতিদ্বন্দ্বিতাৰে বিজয়ী হয়।

# উৰিয়ামঘাটত পথ সজাগতা সন্দৰ্ভত প্ৰশাসনৰ বিশেষ পদক্ষেপ

**ই-সংবাদ, সৰুপথাৰ, ১ জানুৱাৰীঃ** ৰাজ্যৰ বিভিন্ন প্ৰান্তত নিতৌ সংঘটিত হৈ অহা দুৰ্ঘটনাত বহুলোকে অকালতে মৃত্যুবৰণ কৰাৰ লগতে বহুলোক চিৰদিনৰ কাৰণে পংগু হ'বলগীয়া হৈছে। যান-বাহনৰ দুৰ্ঘটনা প্ৰতিৰোধৰ বাবে ইতিমধ্যে ৰাজ্যখনৰ বিভিন্ন প্ৰান্তত প্ৰশাসনে বিভিন্ন পদক্ষেপ গ্ৰহণ কৰা পৰিলক্ষিত হৈছে। গোলাঘাট জিলাৰ সৰুপথাৰ সমজিলাতো প্ৰশাসনৰ উদ্যোগত জনসাধাৰণক সজাগ কৰাৰ উদ্দেশ্যে এনে পদক্ষেপ গ্ৰহণ কৰিছে। নতুন বৰ্ষটোৰ প্ৰথম দিনটোতে সমজিলাখনৰ উৰিয়ামঘাটত সৰুপথাৰ সমজিলাৰ সীমান্ত দণ্ডাধীশ প্ৰিয়ম জ্যোতি ফুকন আৰু উৰিয়ামঘাট আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া অলংকাৰ বৰাই হেলমেট পৰিধান নকৰা বাইক আৰোহীসকলক হেলমেট পৰিধান কৰা, বনভোজ খাবলৈ যোৱা বাহনসমূহৰ ড্ৰাইভাৰসকলক সুৰাপান কৰি যান-বাহন নচলাবলৈ আহ্বান জনোৱাৰ লগতে সন্ধিয়াৰ আগে আগে ঘৰলৈ উভতিলৈ বাবে আহ্বান জনায়। মনকৰিবলগীয়া যে বাইক আৰোহীসকলৰ সুৰক্ষাৰ বাবে সৰুপথাৰ নগৰস্থিত হিৰ' মটৰ চাইকেল ডিলাৰৰ তৰফৰ পৰা হেলমেট পৰিধান নকৰা বাইক আৰোহীসকলক হেলমেট বিতৰণ কৰা হয়। উল্লেখ্য যে, প্ৰশাসনৰ এনে পদক্ষেপৰ বাবে শেষতীয়াকৈ সৰুপথাৰ সমজিলাত যান-বাহনৰ দুৰ্ঘটনা কিছু হ্ৰাস পোৱা পৰিলক্ষিত হৈছে।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নম্বৰত যোগাযোগ কৰক।

# হত্যাকাৰীক ফাঁচীৰ দাবী, গোলকগঞ্জত মৃতদেহ লৈ সমদল

**ই-সংবাদ, গোলকগঞ্জ, ১ জানুৱাৰীঃ** হত্যাকাৰী শিক্ষকৰ ফাঁচীৰ দাবীত আজি বিভিন্ন দল-সংগঠন তথা স্থানীয় সহস্ৰাধিক লোকে মৃতদেহ লৈ ধুবুৰী জিলাৰ লক্ষীমাৰী দ্বিতীয় খণ্ড গাঁৱৰ পৰা গোলকগঞ্জ থানা ঘেৰাও কৰিবলৈ সমদল কৰি আছে। গোলকগঞ্জ থানাৰ বিশাল আৰক্ষী বাহিনী গোলকগঞ্জৰ দীনেশ চন্দ্ৰ সৰকাৰ দলঙৰ কাষত বেৰিকেড লগাই সমদলকাৰীসকলক আটক কৰে। ইয়াকে লৈ দুয়োপক্ষৰ ঠেলা-হেঁচা, খণ্ড যুদ্ধৰ সৃষ্টি হয়। উল্লেখ্য যে গাঁওখনত এক ঘৰুৱা কাজিয়াৰ পৰিণতিত লক্ষীমাৰী মজলীয়া ইংৰাজী বিদ্যালয়ৰ শিক্ষক শ্বাহ আলম সৰকাৰ, তেওঁৰ পুত্ৰ ইনজামামুল সৰকাৰ আৰু ভাগিন ৰেজ্জাক তালুকদাৰে ২৫ ডিচেম্বৰৰ নিশা অতৰ্কিতে মিৰাজুল ইছলামৰ ঘৰত প্ৰৱেশ কৰি ইছলামক ডেগাৰেৰে ঘপিয়ায়। মিৰাজুলক বচাবলৈ পত্নী আমিনা বিবি আৰু ভাতৃ সাহাজুল ইছলাম আগবাঢ়ি যোৱাত তেওঁলোককো চোকা অস্ত্ৰৰে আক্ৰমণ কৰি পলায়ন কৰে। নিশাই পৰিয়ালৰ লোক এই ঘটনা সন্দৰ্ভত গোলকগঞ্জ থানাত এজাহাৰ দিবলৈ আহে। থানাত আৰক্ষী বিষয়াই এজাহাৰ নলৈ দাবি-ধমকি দি খেদি পঠিয়ায়। মিৰাজুলৰ অৱস্থা সংকটজনক হোৱাত নিশাই তেওঁক কোচবিহাৰৰ ব্যক্তিগত নাৰ্ছিংহোমত ভৰ্তি কৰে। ধনৰ অভাৱত চিকিৎসা আধাতে সামৰি ২৭ ডিচেম্বৰৰ নিশা ঘৰলৈ মিৰাজুলক ঘূৰাই আনে। পিছদিনা পুনৰ এজাহাৰ দিবলৈ যোৱাত আৰক্ষীয়ে অভব্য আচৰণ কৰি ঘূৰাই পঠিয়ায়। আক্ৰমণকাৰী শিক্ষক শ্বাহ আলম থানাৰ সন্মুখত দপদপাই ঘুৰি ফুৰাৰ লগতে আক্ৰমণকাৰীৰ বিৰুদ্ধে এজাহাৰ নোলোৱা কাৰ্যত ক্ষুব্ধ হৈ গাঁওখনৰ দুই শতাধিক লোকে থানা ঘেৰাও কৰে। উপায়ন্তৰ হৈ আৰক্ষীয়ে এজাহাৰ গ্ৰহণ কৰি ২৯৮/২৪ নম্বৰত গোচৰ ৰুজু কৰি নিশাৰ ভিতৰতে ইনজামামুল আৰু ৰেজ্জাকক গ্ৰেপ্তাৰ কৰে। কিন্তু ৰহস্যজনকভাৱে গ্ৰেপ্তাৰ কৰাৰ পৰা বিৰত থাকে শিক্ষক শ্বাহ আলম সৰকাৰক। ৩০ ডিচেম্বৰত শিক্ষকজনৰ বিৰুদ্ধে তাৎক্ষণিকভাৱে বিভাগীয় ব্যৱস্থা গ্ৰহণৰ দাবীত স্থানীয় ৰাইজ আৰু অভিভাৱকসকল বিদ্যালয় ঘেৰাও কৰি স্মাৰকপত্ৰ প্ৰদান কৰে। কালি পুৱতি নিশা গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ত চিকিৎসাধীন অৱস্থাত মিৰাজুলৰ মৃত্যু হয়। তেওঁৰ মৃত্যুৰ বাতৰি বিয়পি পৰাত অঞ্চলটোত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হয়। স্থানীয় দল-সংগঠন ক্ষুব্ধ হৈ পৰে। খবৰ পাই ভীতিগ্ৰস্ত হৈ পৰে গোলকগঞ্জ আৰক্ষী।

# জোখতকৈ কম তেল দিয়াক লৈ বেলগুৰি পেট্ৰ'ল পাম্পত উত্তেজনা

**ই-সংবাদ, গোলকগঞ্জ, ১ জানুৱাৰীঃ** ধুবুৰী জিলাৰ আগমনি থানাৰ অন্তৰ্গত বেলগুৰিত থকা হিন্দুস্থান পেট্ৰ'ল পাম্পত আজি দুপৰীয়া হিচাপতকৈ কম তেল দিয়াক কেন্দ্ৰ কৰি উত্তেজনাৰ সৃষ্টি হয়। জানিব পৰা মতে, শেৰনগৰ গাঁৱৰ মানিদুল আলীয়ে তেওঁৰ AS-17 N-3195 নম্বৰৰ বাইকখনত পেট্ৰ'ল ভৰাবলৈ পাম্পটোত উপস্থিত হয়। বাইকখনত পূৰ্বৰ পৰাই দুই লিটাৰ পেট্ৰ'ল আছিল। টেংকি ফুল কৰি দিবলৈ কোৱাৰ সুযোগ লয় তেল বিতৰকজনে। টেংকি ফুল কৰাত চৈধ্যশ চল্লিশ টকাৰ বিল ওলায়। অৰ্থাৎ চৈধ্য লিটাৰতকৈ অধিক তেল সোমায়। বিল প্ৰত্যক্ষ কৰি আশ্চৰ্যচকিত হৈ পৰে বাইকৰ গৰাকী মানিদুল। কাৰণ টেংকিটোত তেলৰ কেপাচিটি হ'ল তেৰ লিটাৰ। তেনেক্ষেত্ৰত চৈধ্য লিটাৰ সোমোৱাৰ প্ৰশ্নই নাহে। তদুপৰি পূৰ্বৰ পৰাই টেংকিটোত দুই লিটাৰ তেল আছিল। যাৰফলত তেঁও ক্ষুব্ধ হৈ পৰে। এই কথা তেওঁ ডাঙৰ কৈ কোৱাৰ বাবেই পাম্পত কৰ্মৰত কৰ্মচাৰীসকলে তেওঁক শাৰিৰীকভাৱে আক্ৰমণ কৰিবলৈ চেষ্টা চলায়। উপস্থিত ৰাইজৰ মধ্যস্থতাত পৰিস্থিতি শান্ত হয়। পিছত বাইকখনৰ টেংকি খালি কৰাত মাত্ৰ বাৰ লিটাৰ তেলহে ওলায়। বাকী পাবলগীয়া দুই লিটাৰ তেল অইন এখন বাইকত দি পৰিস্থিতি নিয়ন্ত্ৰণ কৰে। ঘটনাৰ খবৰ পাই আগমনি থানাৰ সহকাৰী উপ-পৰিদৰ্শক প্ৰদীপ সাহা উপস্থিত হয় যদিও ৰহস্যজনক কাৰণত ৰাইজৰ অভিযোগ সত্বেও কোনা তদন্ত নকৰি পাম্প কৰ্তৃপক্ষৰ চাহ খাই উভতি যায়। উপস্থিত ৰাইজৰ মতে বেলগুৰিৰ পাম্পটোত নিৰ্ধাৰিত নিৰিখতকৈ কমকৈ তেল দিয়াৰ পুৰণি বহু অভিযোগ আছে। এনেকৈ কমকৈ তেল দি প্ৰতি দিনে লক্ষাধিক টকা লুটি আছে যদিও সংশ্লিষ্ট বিভাগ কুম্ভকৰ্ণৰ নিদ্ৰাত শুই থকাৰ অভিযোগ তোলে স্থানীয় ৰাইজে। অতি শীঘ্ৰে ইয়াৰ উচ্চ পৰ্যায়ৰ তদন্ত কৰি বিহিত ব্যৱস্থা গ্ৰহণ কৰিবলৈ দাবী জনাইছে ৰাইজে।

# কলগাছিয়াত দৰিদ্ৰ পৰিয়াললৈ বি কে ফাউণ্ডেচনৰ সাহায্য

**ই-সংবাদ, কলগাছিয়া, ১ জানুৱাৰীঃ** বৰপেটা জিলাৰ কলগাছিয়াত 'আমেৰিকান ইণ্ডিয়া' স্বেচ্ছাসেৱী সংগঠনৰ সৌজন্যত, জনীয়াৰ আঞ্চলিক গ্ৰাম উন্নয়ন পৰিষদৰ উদ্যোগত আৰু কলগাছিয়াৰ বি কে ফাউণ্ডেচনৰ সহযোগত ত্ৰিশগৰাকী দৰিদ্ৰ পৰিয়াললৈ বান সাহায্য বিতৰণ কৰা হয়। উল্লেখ্য যে, বৰপেটা জিলাৰ কলগাছিয়া ৰাজহ চক্ৰৰ অন্তৰ্গত আমগুৰি, খাৰবাল্লী, কলগাছিয়া, বালাৰপাথাৰ, গুনিয়ালগুৰি আদি গাঁৱৰ একাংশ দৰিদ্ৰ বানাক্ৰান্ত পৰিয়ালে আৰ্থিক দুৰৱস্থাত ভুগি থকাৰ প্ৰতি লক্ষ্য ৰাখি কলগাছিয়াৰ সমাজ হিতৈষী ব্যক্তি তথা নৱজ্যোতি মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক ড০ ছোৰমান আলীয়ে জনীয়াৰ বিশিষ্ট সমাজ সেৱক আব্দুল মালিকৰ সৈতে লগ লাগি এই দৰিদ্ৰ পৰিয়ালসমূহলৈ প্ৰায় পাঁচ হাজাৰ টকা মূল্যৰ সাহায্যৰ সামগ্ৰী বিতৰণ কৰে। সামগ্ৰীসমূহৰ ভিতৰত তিৰপাল, বেড কভাৰ, আঁঠুৱা, দলিচা, পানীৰ ড্ৰাম, টাৱেল, চাবোন, ঔষধ, চেনিটাৰী নেপকিন, টুথপেচ, খোৱা সামগ্ৰী আদি। জনীয়াৰ ৰাষ্ট্ৰীয় পুৰস্কাৰ প্ৰাপ্ত স্বেচ্ছাসেৱী সংগঠন আঞ্চলিক গ্ৰাম উন্নয়ন পৰিষদৰ উদ্যোগত আৰু কলগাছিয়াৰ বিযু খন্দকাৰ ফাউণ্ডেচন চমুকৈ বি কে ফাউণ্ডেচনৰ সহযোগত আয়োজন কৰা হয় এই বান সাহায্য বিতৰণ কাৰ্যসূচী।

# পানবাৰীৰ সৰৱৰহী ব্যক্তি সিৰাজুল হকৰ মৃত্যু, অঞ্চলজুৰি শোক

**ই-সংবাদ, পৰ্বতঝোৰা, ১ জানুৱাৰীঃ** ধুবুৰী জিলাৰ নৱগঠিত গৌৰীপুৰ সমষ্টিৰ পানবাৰী গাঁও পঞ্চায়তৰ দালানেৰ আলগা প্ৰথম খণ্ড গাঁৱৰ সিৰাজুল হক (৮৬)ৰ বছৰৰ অন্তিম দিনা ২.১৫ মান বজাত দেহৱসান ঘটে। জানিব পৰা মতে, পানবাৰী গাঁও পঞ্চায়তৰ দালানেৰ আলগা প্ৰথম খণ্ড গাঁৱৰ সিৰাজুল হক অসুস্থ হৈ পৰাত পৰিয়ালৰ লোকে ধুবৰী চিকিৎসা মহবিদ্যালয় হাস্পতাললৈ নিবলৈ লওঁতেই কালি আবেলি ২.১৫ মান বজাত শেষ নিশ্বাস ত্যাগ কৰে। তেওঁৰ মৃত্যুত অঞ্চলটোত শোকৰ ছাঁ পৰে। উল্লেখ্য যে, সিৰাজুল হক ধুবুৰী জিলা পশু চিকিৎসা বিষয়া কাৰ্যালয়ত দীৰ্ঘদিন ধৰি কাম কৰিছিল। অতি সহজ সৰল, নম্ৰ, ভদ্ৰ স্বভাৱৰ সিৰাজুল হকে মৃত্যুৰ সময়ত সহধৰ্মিণী, দুজন সুযোগ্য পুত্ৰ আৰু দুই জীয়েক, নাতি-নাতিনীৰ লগতে আত্মীয় স্বজন তথা অজস্ৰ গুণমুগ্ধক ইহ সংসাৰত এৰি থৈ যায়।

# ৰূপহীৰ দক্ষিণ খাটোৱাল ডাইমণ্ডছ ক্লাবৰ উদ্যোগত ক্ৰিকেট টুৰ্ণামেণ্ট

**ই-সংবাদ ক্ৰীড়া সেৱা, নগাঁও, ১ জানুৱাৰীঃ** নগাঁও জিলাৰ ৰূপহীহাট থানাৰ অন্তৰ্গত দক্ষিণ খাটোৱাল গাঁৱত নৱগঠিত “ দক্ষিণ খাটোৱাল ডাইমণ্ডছ ক্লাব” ৰ উদ্যোগত এম আই এম ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ তাৰাবাৰীৰ খেলপথাৰত অহা ১১ আৰু ১২ জানুৱাৰীত দুদিনীয়াকৈ এখনি সীমিত অভাৰৰ প্ৰাইজমানি টেনিছ বল ক্ৰিকেট প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। দক্ষিণ খাটোৱাল ডাইমণ্ডছ ক্লাবৰ সভাপতি মফিদুল ইছলাম আৰু সম্পাদক মোহাম্মদ মোছাদ্দিকে জানিবলৈ দিয়ামতে, এই প্ৰতিযোগিতাখনৰ চূড়ান্ত বিজয়ী দলক ট্ৰফী সহ নগদ ৮,০০০/- টকা আৰু বিজিত দলক বাবে  নগদ ৪,০০০/- টকা আগবঢ়োৱা হ’ব। ক্ৰীড়াৰ দ্বাৰা যুৱসমাজৰ শাৰিৰীক-মানসিক স্বাস্থ্যৰ উৎকৰ্ষ সাধন কৰাৰ লগতে বিভিন্ন অসামাজিক কাৰ্যকলাপৰ বিৰুদ্ধে সজাগতা সৃষ্টি কৰাৰ উদ্দেশ্যে আয়োজন কৰা এই প্ৰতিযোগিতাৰ বিষয়ে সবিশেষ জানিবলৈ ইচ্ছুকসকলে আয়োজক সমিতিৰ সভাপতি/সম্পাদকৰ সৈতে “ ফোন নং-৭০০২২৫১৬৮৩/ ৬০০৩৭৪৭১৪৮ ” ত যোগাযোগ কৰিবলৈ অনুৰোধ কৰিছে।



শ্ৰীলংকাৰ বিৰুদ্ধে নিউজিলেণ্ডৰ বলাৰ মিশ্বেল ছান্টাৰৰ উল্লাস, বুধবাৰে

# পেছাগত ব্যস্ততাকো নেওচি শিল্প সাধনাত ব্ৰতী ৰঙিয়াৰ গঞ্জন নন্দন দাস

**ই-সংবাদ, ৰঙিয়া, ১ জানুৱাৰীঃ** কৰ্ম ব্যস্ততা শিল্প সাধনাৰ অন্তৰায় হ’ব নোৱাৰে। কৰ্মব্যস্ততাৰ মাজতো শিল্প সাধনাত ব্ৰতী হৈ এনে নিদৰ্শন দেখুৱাই নৱ প্ৰজন্মৰ বাবে আদৰ্শ হৈ আহিছে ৰঙিয়াৰ বিশিষ্ট চিত্ৰ শিল্পী গঞ্জন নন্দন দাস। পেচাত তামুলপুৰ জিলাৰ আমবাৰী সৰুভেৰা আঞ্চলিক হাইস্কুলৰ বিজ্ঞান বিষয়ৰ শিক্ষক গঞ্জন নন্দন দাসে শিক্ষকতাৰ সমান্তৰালভাৱে চিত্ৰশিল্পৰ লগতে কলা নিৰ্দেশনাৰ দৰে দায়িত্ব পালনৰে শিল্প সাধনাৰ ক্ষেত্ৰখনত ব্ৰতী হৈ আহিছে। শিল্পকলা, সাহিত্য চৰ্চাক নিচা হিচাবে লোৱা গঞ্জন নন্দন দাসে আন এগৰাকী জীৱনশিল্পী প্ৰয়াত প্ৰমোদ তালুকদাৰৰ অধীনত চিত্ৰ-শিল্পৰ প্ৰশিক্ষণ গ্ৰহণ কৰিছিল। গুৱাহাটী বিশ্ববিদ্যালয়ৰ (আইডল) পৰা গণিত বিষয়ত স্নাতোকোত্তৰ ডিগ্ৰী লাভ কৰা গঞ্জন নন্দন দাসে ইতিমধ্যে বিভিন্ন ৰাজ্যিক তথা জিলা পৰ্যায়ত অনুষ্ঠিত অধিৱেশন, মহোৎসৱত তোৰণ, পতাকা উত্তোলন কৰা বেদী, স্মৃতি তৰ্পণ বেদী আদি আকৰ্ষণীয় ৰূপত সজাই সমাদৰ লাভ কৰিছে। তেওঁৰ শিল্পকৰ্মৰ শেহতীয়া নিদৰ্শন চলিত বৰ্ষত ৰঙিয়াৰ মৰাণজানাত অনুষ্ঠিত শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ অধিৱেশনৰ মুখ্য তোৰণ, নামঘৰ, সেৱাবাহিনীৰ শিবিৰ আৰু ভোজনালয়ৰ তোৰণৰ নিৰ্মাণ, পতাকা বেদী নিৰ্মাণৰ লগতে ৯০ সংখ্যক তৰণী বাৰোৱাৰী ৰাস মহোৎসৱৰ পতাকা বেদী আৰু স্মৃতি বেদীৰ আকৰ্ষণীয় ৰূপত নিৰ্মাণ। ইয়াৰ পূৰ্বেও ২০০০ চনত ৰঙিয়াৰ খৈৰাবাৰীত অনুষ্ঠিত শ্ৰীমন্ত শংকৰদেৱ সংঘৰ অধিৱেশন, গ্ৰন্থ মেলা আৰু প্ৰদৰ্শনীৰ তোৰণৰ নমুনা, গোৰেশ্বৰ সাহিত্য সভাৰ অধিৱেশন, শ্ৰীমন্ত শংকৰদেৱ সংঘৰ ধেমাজি অধিৱেশনৰ তোৰণ, মাৰ্ঘেৰিটাত অনুষ্ঠিত শিশু আই-মাতৃ সমাৰোহৰ তোৰণ, নলবাৰীত



অনুষ্ঠিত অধিৱেশনৰ পতাকাৰ বেদী, গ্ৰন্থমেলা, প্ৰদৰ্শনীৰ তোৰণ নিৰ্মাণৰ লগতে অসম ৰাজ্যিক কৃষক সভাৰ ৰাজ্যিক ৰঙিয়া অধিৱেশনৰ তোৰণ নিৰ্মাণেৰে বিশেষভাৱে পৰিচিতি লাভ কৰিছে গঞ্জন নন্দন দাসে। বিটিআৰৰ প্ৰথমখন ই-আলোচনী 'দ্য শলিতা'ৰ সম্পাদক গঞ্জন নন্দন দাসে পত্নী দীপিকা দাস আৰু দুই পুত্ৰ অমন দাস, মৌচম দাসৰ প্ৰেৰণাকে মূলধন হিচাবে লৈ জন্ম দিয়া সিংহাসন নাট্যদলৰ কলা নিৰ্দেশনাৰ লগতে সামগ্ৰিক পৰিচালনাৰ দায়িত্বও বহন কৰি আহিছে। নৱপ্ৰজন্মৰ শিল্প সাধনাৰ প্ৰতি আগ্ৰহী একাংশ যুৱক-যুৱতীক নিয়োজিত কৰি সঠিক পথৰ সন্ধান দিয়াৰ বাবে গঞ্জন নন্দন দাসৰ দৰে শিল্পপ্ৰাণৰ ব্যাক্তিৰ প্ৰয়াস নিঃসন্দেহে অনুকৰণীয় বুলি অঞ্চলটোত চৰ্চা হৈ আহিছে।

# ঐতিহাসিক জোঙাল বলহু গড়ত ৩ জানুৱাৰীত তিৱা জনগোষ্ঠীৰ শৌৰ্য-বীৰ্যৰ প্ৰতীক বীৰ জোঙাল বলহু দিৱস

**ই-সংবাদ, মৰিগাঁও, ১ জানুৱাৰীঃ** মধ্য অসমৰ ঐতিহ্যমণ্ডিত তিৱা জনগোষ্ঠীটোৰ সৌৰ্য বীৰ্যৰ প্ৰতীক জোঙাল বলহুৰ স্মৃতিত ৩ জানুৱাৰীত অনুষ্ঠিত কৰা হ’ব জোঙাল বলহু দিৱস। মৰিগাঁও জিলাৰ সীমামূৰীয়া স্থান, ঠেকেৰাগুৰী আৰু ৰহাৰ মাজত ফ’ৰলেন যুক্ত ৰাষ্ট্ৰীয় ঘাইপথৰ দাঁতিত অৱস্থিত ইতিহাস প্ৰসিদ্ধ জোঙাল বলহু গড়ত দিনজোৰা বিস্তৃত কাৰ্যসূচীৰে অনুষ্ঠিত কৰা হ’ব এই জোঙাল বলহু দিৱস। তিৱা স্বায়ত্ত পৰিষদৰ পৃষ্ঠপোষকতাত আৰু তিৱা জাতীয় সংগঠনসমূহৰ উদ্যোগত অনুষ্ঠিত হ’বলগীয়া এই জোঙাল বলহু দিৱসৰ পুৱা তিৱাসকলৰ পৰম্পৰাগত পিতৃ পূজাৰে কাৰ্যসূচীৰ শুভাৰম্ভ কৰা হ’ব। ইয়াৰ পিছতে বন্তি প্ৰজ্জ্বলন, তিৱা জাতীয় সংগঠনসমূহৰ পতাকা উত্তোলন, জোঙাল বলহু ক্ষেত্ৰৰ মূলদ্বাৰ উন্মোচনৰ লগতে প্ৰদৰ্শনী, গ্ৰন্থ বিপণী আদিৰ দ্বাৰ উন্মোচন কৰা হ’ব। দুপৰীয়া ১২ বজাত অনুষ্ঠিত হ’ব এখন মুকলি সভা। এই সভাত অসম বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰী মুখ্য অতিথি হিচাপে আৰু মন্ত্ৰী ৰঞ্জিত কুমাৰ দাস, পীযুষ হাজৰিকা, অজন্তা নেওগ, জয়ন্ত মল্লবৰুৱা প্ৰমুখ্যে কেইবাগৰাকীও বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰিব। এই সভাতে জোঙাল বলহু দিৱসৰ এখন স্মাৰকগ্ৰন্থ উন্মোচন কৰা হ’ব। প্ৰায় ১৪ লাখ টকাৰ বাজেটেৰে অনুষ্ঠিত হ’বলগীয়া এই জোঙাল বলহু দিৱসৰ প্ৰস্তুতি ইতিমধ্যে সম্পূৰ্ণ হোৱাৰ কথা সংবাদ মাধ্যমক সদৰী কৰিছে জোঙাল বলহু দিৱসৰ উদযাপন সমিতিৰ সভাপতি তথা তিৱা স্বায়ত্ত পৰিষদৰ কাৰ্যবাহী সদস্য প্ৰণৱজ্যোতি মছৰঙে। উল্লেখ্য যে তিৱা জনগোষ্ঠীটোৰ ঐতিহাসিক বীৰ, ৰজা তথা তিৱাসকলৰ পিতৃপুৰুষ জোঙাল বলহুৰ ৰাজধানী জোঙাল বলহু গড়ত বীৰজনাৰ এটা প্ৰকাণ্ড প্ৰতিমূৰ্তি ইতিমধ্যে স্থাপন কৰা হৈছে। তদুপৰি ঐতিহাসিক জোঙাল বলহু ক্ষেত্ৰখনক আধুনিক পৰ্যটন ক্ষেত্ৰ হিচাপে গঢ়ি তোলাৰ বাবে ৰাজ্য চৰকাৰে ইতিমধ্যে ১০০ কোটি টকা মোকলাই দিছে আৰু ইয়াৰ কাম পূৰ্ণগতিত চলি আছে। এই আঁচনি সম্পূৰ্ণ হ’লেই জিলিকি উঠিব ঐতিহ্য বহনকাৰী জোঙাল বলহু ক্ষেত্ৰখন।

newsnextone.comৰ হৈ গুৱাহাটীৰ পৰা অনলাইনযোগে ছফি জামালৰ দ্বাৰা প্ৰকাশিত, ই-মেইলঃ newsnextne@gmail.com, যোগাযোগ/হোৱাটছএপ নম্বৰঃ ৯৩৬৫২২৫২৪৮, কাৰ্যালয়ঃ জ্যোতিনগৰ, বামুণীমৈদাম (বা-বাতৰিৰ বাবে বাৰ্তা সম্পাদক দায়বদ্ধ)। মুখ্য সম্পাদকঃ ড০ দীনেশ বৈশ্য ।। কাৰ্যবাহী সম্পাদকঃ ধ্ৰুৱজ্যোতি ধনন্তৰি